RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

অসম ভূমি

জাতীয় স্বার্থত দায়বদ্ধ

ভিতৰৰ পৃষ্ঠাত

মানসিক বিকাশজনিত...	পৃষ্ঠা ৪
অসমৰ চৰকাৰী...	পৃষ্ঠা ৫
নতুন চৰকাৰলৈ...	পৃষ্ঠা ৭
ম'বাইলৰ গ্ৰাসত যুৱপ্ৰজন্ম	পৃষ্ঠা ৮

■ Vol:13 ■ Issue: 40 ■ Guwahati ■ Wednesday ■ 27 May, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪০ ■ গুৱাহাটী ■ বুধবাৰ ■ ১২ জেঠ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা

’২৭ৰ ফেব্রুৱাৰীত জনগণনা ঃ প্ৰথম পৰ্যায়ত নিয়োগ ৮৩,৫৩৫ গণনাকাৰী-পৰ্যবেক্ষক

১৭ আগষ্টৰ পৰা ৰাজ্যত গৃহ পিয়ল

ষ্টাফ ৰিপৰ্টাৰ ঃ অহা ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰলৈ অসমত লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ গণনাৰ বাবে অধিসূচনা জাৰী কৰিছে চৰকাৰে। উল্লেখ্য যে দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব লোকপিয়ল। অহা ১৭ আগষ্টৰ পৰা প্ৰথম পৰ্যায়ৰ গণনা চলাৰ অন্তত ২০২৭ৰ ফেব্রুৱাৰী মাহত ■ ১১ *পৃষ্ঠাত*

একেখন কাঁহীত ভাত খোৱাৰ পৰম্পৰা

■ অজিত ৰাভা

শৈশৱৰ দিনবোৰত আমি বহুতেই মা-দেউতাৰ সৈতে একেখন কাঁহীত ভাত খাই ডাঙৰ হৈছিলো; কিন্তু সময়ৰ লগে লগে সেই অভ্যাস সলনি হ'ল। আজিৰ সমাজত আলহীৰ ঘৰত একেখন কাঁহীত ভাত খোৱাটো প্ৰায় অসম্ভৱ যেন লাগে। সমাজেও ইয়াক সহজভাৱে গ্ৰহণ নকৰে। এই ব্যক্তিগত অনুভৱ আৰু সামাজিক ধাৰণাৰ মাজতেই মণিপুৰ ভ্ৰমণৰ এটি অভিজ্ঞতাই মোক এক নতুন দৃষ্টিভংগী দিছিল।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য মণিপুৰৰ ৰাজধানী ইম্ফলত বৰ্তমান সময়ত জাতিগত সংঘাতৰ বাবে প্ৰায়েই সংবাদ শিৰোনামত থাকে ৰাজ্যখন। বিশেষকৈ মৈতৈ আৰু কুকি সম্প্ৰদায়ৰ মাজৰ সংঘৰ্ষে ৰাজ্যখনক বহু দিশত প্ৰভাৱিত কৰিছে। তথাপি, এই সংঘাতৰ মাজতো কিছুমান সাংস্কৃতিক পৰম্পৰা আৰু মানৱীয় সম্পৰ্ক আজিও গভীৰভাৱে জীৱন্ত হৈ আছে। ২০১৩ চনৰ এটি ভ্ৰমণৰ কথা। ■ *দুই পৃষ্ঠাত*

মহিলাৰ বাবে আসন সংৰক্ষণক লৈ বিধানসভাত সংকল্প প্ৰস্তাৱ চৰকাৰৰ

ষ্টাফ ৰিপৰ্টাৰ ঃ নাৰী শক্তিক সন্মান জনোৱা, নাৰীৰ সামগ্ৰীক উন্নয়ন আৰু সৱলীকৰণ নিশ্চিত কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ হৈ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী অজন্তা নেওগে যোৱা সোমবাৰে মহিলাৰ বাবে সংসদ-বিধানসভাত এক তৃতীয়াংশ আসন সংৰক্ষণৰ বাবে অসম বিধানসভাত সংকল্প প্ৰস্তাৱ উত্থাপন কৰে। এই প্ৰস্তাৱটোত মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ সংসদ আৰু বিধানসভাত মহিলাৰ বাবে এক তৃতীয়াংশ আসন তৎকালে সংৰক্ষণ হোৱাটো অসম চৰকাৰে বিচাৰে। মন্ত্ৰী নেওগে মহিলাসকলক ৰাজনৈতিকভাৱে আগুৱাই নিয়াৰ বাবে এই বিধেয়কখন কাৰ্যকৰী হোৱাটো ■ ১১ *পৃষ্ঠাত*

লোকভৱনত ভূটানৰ প্ৰধানমন্ত্ৰী শ্ৰেৰিং টবগেক আদৰণি অসমৰ ৰাজ্যপাল-মুখ্যমন্ত্ৰীৰ

অগপৰ নৱনিৰ্বাচিত বিধায়ক ধৰ্মেশ্বৰ ৰয়ক ৰাজহুৱা সম্বৰ্ধনা

বজালী জিলাৰ সীমা-মেডিকেল কলেজৰ ভূমি নিৰ্ধাৰণক লৈ পাঠশালাত নাগৰিক সভা

অসম ভূমি সেৱা, পাঠশালা ঃ বজালী জিলাৰ সীমা নিৰ্ধাৰণ, বজালীত হ'বলগীয়া মেডিকেল কলেজৰ স্থান নিৰ্ধাৰণ আৰু জিলাখনৰ বিভিন্ন সমস্যা সন্দৰ্ভত যোৱা ২৩ মে'ৰ সন্ধিয়া পাঠশালাত এখন নাগৰিক সভা অনুষ্ঠিত হয়। পাঠশালা বজাৰ সমিতিৰ উদ্যোগত পাঠশালা হৰিমন্দিৰৰ নাট্যমন্দিৰ প্ৰাংগণত বজাৰ সমিতিৰ সভাপতি গিৰীশ পাটগিৰীৰ সভাপতিত্বত অনুষ্ঠিত সম্পাদক অসীম চৌধুৰী আৰু ছাত্ৰ নেতা সমুদ্ৰ পাটগিৰীয়ে আঁতধৰা অনুষ্ঠানত বিধায়ক ধৰ্মেশ্বৰ ৰয়ক বজালীৰ বিভিন্ন দল-সংগঠন, ব্যক্তিয়ে ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ■ ১১ *পৃষ্ঠাত*

ছাত্ৰানাং বিদ্যা অধ্যয়নং তপঃ

■ পবিত্ৰ কুমাৰ শৰ্মা

অসমীয়া আপ্তবাক্যত এযাৰ বাক্য আছে-- “পঢ়াই পঢ়ে, ৰোৱে পাণ, এই তিনিয়ে নিচিন্তে আন” অৰ্থাৎ যি পঢ়াই, যিজনে পঢ়ে আৰু যি পানগছ ৰোপণ কৰে, উক্ত তিনিওজনে ব্যক্তিয়ে অন্য চিন্তা মনলৈ আনিব নালাগে। কবি হৰিনাৰায়ণ দত্তবৰুৱা দেৱেও ‘যেতিয়াৰ যিটো বন’ শিৰোনামাৰ কবিতাত লিখিছে এনেদৰে—

যেতিয়াই যিটোবন কৰা তেতিয়াই
পাচলৈ নথবা পেলাই;
কৰিম কৰিম বুলি গহৰি কৰিলে
কৰিব কি পাৰে কোনোবাই?
ইত্যাদি।

এই পূণ্যভূমি ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা ঋষি-মুনিসকলে জীৱশ্ৰেষ্ঠ মানৱে পালন কৰিবৰ বাবে ১৬টা সংস্কাৰৰ ব্যৱস্থা কৰি থৈ গৈছে। পৰৱৰ্তী সময়ত বিভিন্ন কাৰণত কিছু সংখ্যক ব্যক্তিয়ে ১৬ টা সাংস্কাৰৰ পৰা ১০ টা সংস্কাৰলৈ হ্ৰাস কৰিলে। পৰম্পৰা আৰু বৈদিক নীতি-নিয়ম মতে মুনষ্যগণে ষোল্লটা সংস্কাৰে সংস্কাৰিত হ'ব লাগে। সন্তান গৰ্ভত থাকোতেই পিতৃ-মাতৃয়ে তিনিটা সংস্কাৰ আৰু মৃত্যুৰ পাছত পৰিয়ালে বা জ্ঞাতি-কুটুম্বই অন্তিম সংস্কাৰ সম্পন্ন কৰে। আমি পালন কৰিব লগা ১৬টা সংস্কাৰ হ'ল— গৰ্ভাধান, পুংসৱন, সীমান্তোন্নয়ন, জাতকৰ্ম, নামকৰণ, ■ *দুই পৃষ্ঠাত*

প্রথম পৃষ্ঠাৰ পৰা ঃ —

ছাত্রানাং বিদ্যা অধ্যয়নং তপঃ

নিস্ক্রমন, অন্নপ্রাসন, চূড়াকৰণ, কর্ণভেদ, বিদ্যাৰম্ভ, উপনয়ন, বেদাৰম্ভ, কেশান্ত, সমাবর্তন, বিবাহ আৰু অন্ত্যেষ্টিক্রিয়া। আজিৰ আলোচ্যৰ বিষয় 'দশম সংস্কাৰ বিদ্যাৰম্ভ'। শিশুৰ নটা সংস্কাৰ সম্পন্ন হোৱাৰ পাছত দশম সংস্কাৰ বিদ্যাৰম্ভ। আগৰ দিনত ৫ বছৰৰ পাছত এই সংস্কাৰৰ শুভাৰম্ভ হৈছিল। আজিকালি অৱশ্যে সন্তানৰ মাত ফুটাৰ পাছৰে পৰাই বিদ্যালয়লৈ যাত্রা আৰম্ভ হয়। বহুবোৰ সংস্কাৰী পৰিয়ালে এটি শুভদিন চাই হোম-যজ্ঞ কৰি গুৰু-গোসাঁইৰ আশীর্বাদ শিৰত লৈ শিক্ষা জীৱন আৰম্ভ কৰে। বহুতে সৰস্বতী পূজাৰ দিনাই বিদ্যাৰম্ভ কৰে। বিদ্যাৰম্ভ আৰু বেদাৰম্ভ দুটা সংস্কাৰ। উপনয়ন সংস্কাৰ হোৱাৰ পাছতহে বেদাৰম্ভ সংস্কাৰ সম্পন্ন কৰা হয়। যি কি নহওক, সংস্কৃত সাহিত্যত কৈছে এনেদৰে ঃ— "ন হি জ্ঞানেন সদৃশং পৱিত্র মিহ বিদ্যতে" অর্থাৎ পবিত্র জ্ঞানৰ সমান এই পৃথিৱীত একোৱেই নাই। এই জ্ঞানখিনি অর্জন কৰিবৰ বাবে আমি অধ্যয়নত ব্রতী হ'ব লাগিব। সংস্কৃত সাহিত্যত আকৌ কৈছে যে— "শ্রদ্ধাৱান লভতে জ্ঞানম্" অর্থাৎ জ্ঞান অর্জন কৰিবলৈ হ'লে শ্রদ্ধাৱান হ'বই লাগিব। ছাত্র-ছাত্রীৰ হৃদয়ত শ্রদ্ধা আৰু ভক্তি থাকিবই লাগিব। কীর্ত্তনৰ "নাম অপৰাধ"তো মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে লিখিছে এনেদৰে—

নাহিকে শ্রদ্ধা নপাতয় কাণ।
তাক যিটো দেয় নামক দান।।
নামৰ দ্রোহী নাহি তাত পৰে।
ভুঞ্জাৱে যাতনা যম কিংকৰে।।

যথা সময়ত বিদ্যা-শিক্ষা গ্রহণ নকৰিলে জীৱনটো অথলে যোৱাৰ সম্ভাৱনাই অধিক। ছাত্র-ছাত্রীসকলক জীৱনত পাঁচটা কথা মানি চলিবলৈ চানক্য পণ্ডিতে নির্দ্দেশ দিছে এনেদৰে--

কাক চেষ্টা, বক ধ্যানম, চানং নিদ্রা তথৈবসঃ।
অল্পহাৰী, গৃহীত্যাগী, বিদ্যার্থী পঞ্চলক্ষণম্।।

অর্থাৎ ছাত্র-ছাত্রীসকলে কাউৰী চৰাইৰ নিচিনা চেষ্টা, বগলী চৰাইৰ নিচিনা ধ্যান, কুকুৰৰ টোপনিৰ নিচিনা টোপনি, আহাৰ কম আৰু প্রয়োজনত বাহিৰত থাকি শিক্ষা-দীক্ষা গ্রহণ কৰিবলৈ সাজু থাকিব লাগিব। শিক্ষা গ্রহণ কৰাৰ পাছত আমি জ্ঞান লাভ কৰো। জ্ঞানে আমাৰ জীৱনৰ ৰাস্তা সলনি কৰি দিব পাৰে। জীৱনটো আনন্দময় কৰি তুলিব পাৰে। জ্ঞান আৰু গ্রন্থ আমাৰ জীৱনৰ পৰম বন্ধু। গ্রন্থ অধ্যয়ন সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন মতামত প্রদান কৰিছে। গ্রন্থ হ'ল জ্ঞান অর্জনৰ সমল। গ্রন্থই মানৱ সভ্যতা সংস্কৃতিৰ জ্ঞান বুকুত বান্ধি লৈ ফুৰিছে। ই মানুহৰ সুস্থ মস্তিষ্ক আৰু প্রকৃতবন্ধু। গ্রন্থ বন্ধু সদায় নিৰাপদ আৰু নির্ভযযোগ্য। গ্রন্থ অধ্যয়নে মানুহৰ বৌদ্ধিক বিকাশ ঘটায়। এখন ভাল গ্রন্থই মানুহক বিমন আনন্দ দিব পাৰে। গ্রন্থ হ'ল মানৱৰ বৌদ্ধিক আহাৰ। স্বাস্থ্য ৰক্ষাৰ বাবে সূযম আহাৰৰ লগতে ভাল গ্রন্থ অধ্যয়নৰো প্রয়োজন।

কিছু বছৰৰ আগলৈকে সনাতন সংস্কৃতিত গুৰুকুলীয়া শিক্ষা গ্রহণৰ ব্যৱস্থা আছিল। অর্থাৎ গুৰু গৃহত থাকি গুৰুৰ বাক্য পালন কৰি শিক্ষা গ্রহণ কৰাৰ লগতে নিজৰ সকলো কাম-বন নিজে কৰি ল'ব লাগিছিল। লগতে গুৰুৰো প্রায়বোৰ কাম-কাজ কৰি দিব লাগিছিল। অর্থাৎ এজন ছাত্র বা ছাত্রীয়ে গুৰুৰ লগত আত্মিক সম্পর্ক স্থাপন কৰি মনুষ্য জীৱনৰ প্রয়োজনীয় সকলো কাম-কাজ শিকি লৈছিল। যাতে ওৰেটো জীৱন মধুময় হৈ থাকে। ভাৰতবর্ষলৈ ইংৰাজী শিক্ষাৰ আগমন ঘটাৰ পাছৰে পৰাই শিক্ষা ব্যৱস্থা বা শিক্ষা দান পদ্ধতিৰ সালসলনি ঘটিল। ইংৰাজী শিক্ষা গ্রহণ কৰাৰ পাছত বহুবোৰ ছাত্র-ছাত্রী পশ্চিমীয়া সংস্কৃতিৰ প্রতি আগ্রহী হৈ পৰিল। ফলত বহুবোৰ পৰিয়াল অসংস্কৃতিৱান হৈ পৰিল। তাৰ প্রভাৱ আমাৰ সমাজত বিদ্যমান। এই পূণ্যভূমি ভাৰতবর্ষত গুৰুসকলক শ্রদ্ধা-ভক্তি আৰু সন্মান কৰা হয়। উল্লেখযোগ্য সনাতনীয় সংস্কৃতিত গুৰু কেইবা প্রকাৰৰ। শিক্ষাগুৰু, দীক্ষাগুৰু, শৰণগুৰু, ভজনগুৰু, জন্মদাতৃ গুৰু, আদি গুৰু, অনাদি গুৰু ইত্যাদি। জন্মদাতৃ পিতৃ-মাতৃক জীৱন শ্রেষ্ঠ গুৰু আখ্যা দিয়া হয়। সংস্কৃত সাহিত্যত পিতৃ-মাতৃ সন্দর্ভত উল্লেখ আছে এনেদৰে—

পিতা স্বর্গ, পিতা ধর্ম, পিতাহি পৰমং তপঃ।
পিতৰি প্রিতিমাপন্নে প্রিয়ন্তে সর্বদেৱতা।।

সনাতনীয় সংস্কৃতিত গুৰুসকলক পৰমব্রহ্মৰ লগত তুলনা কৰা হৈছে। ইংৰাজী শিক্ষাৰ আগমন ঘটাৰ আগলৈকে ভাৰতবর্ষত সংস্কৃত আৰু পালী ভাষাৰ মাধ্যমেদি জ্ঞান দান কৰা হৈছিল। উল্লেখযোগ্য বিশ্বৰ প্রায়বোৰ ভাষাৰ মাতৃভাষা হৈছে সংস্কৃত। সংস্কৃত ভাষাটোক দেৱভাষা বুলি কোৱা হয়। উক্ত সম্বন্ধে সংস্কৃত সাহিত্যত পোৱা যায় এনেদৰে—

অমৃতং মধুৰং সম্যক সংস্কৃতম্ হি ততোধিকম্।
দেৱভোগ্য মিদং তস্মাৎ দেৱ ভাষেতি কথ্যতে।।

সনাতনীয় সংস্কৃতিৰ অন্তর্গত চাৰিবেদ, চাৰি উপবেদ, ১৪ খন শাস্ত্র, ১৮ খন পুৰাণ, ১৮ খন উপ পুৰাণ আৰু অন্যান্য সকলো শাস্ত্র সংস্কৃত ভাষাতেই লিখা। গতিকে সংস্কৃত ভাষাৰ জ্ঞান নাথাকিলে শাস্ত্র সমূহৰ প্রকৃত অর্থ বুজি পোৱা নাযায়।

সংস্কৃত ভাষাৰ গুণ গৰিমা, ভাষাৰ লালিত্য, শব্দৰ ঝংকাৰ আদিৰ গুৰুত্ব উপলব্ধি কৰি জার্মান-জাপান আদি বহুবোৰ বিদেশী ৰাষ্ট্রই শিক্ষানুষ্ঠানসমূহত সংস্কৃত ভাষা বাধ্যতামূলক কৰিছে। তুলসী গছৰ গুণাগুণ আৰু উপকাৰিতাৰ বিষয়ে অধ্যয়ন কৰি ফুলৰ বাগান বন্ধ কৰি তুলসীৰ বৃক্ষৰোপণ কৰিছে। তুলসী এবিধ এনেকুৱা উদ্ভিদ যে মৃত্যু হোৱা মানুহক পুনৰ জীয়াই তুলিব পাৰে। তুলসী বৃক্ষই ২৪ ঘণ্টাই বতাহত অক্সিজেন বিকিৰণ কৰি থাকে। অক্সিজেনৰ অভাৱত মৃত্যু হোৱা মানুহক লগে লগে তুলসী গছৰ ওচৰলৈ লৈ গ'লে জী উঠিব পাৰে। সেই কাৰণেই এতিয়াও আমাৰ আত্মীয়-কুটুম্বৰ মৃত্যু হ'লে আমি তুলসী বৃক্ষৰ তললৈ লৈ যাওঁ বা মৃতদেহৰ ওচৰত তুলসী গছ ৰোপণ কৰো। আয়ুর্বেদ শাস্ত্রখনো বা সুশ্রুত সংহিতা আদি সকলোবোৰ শাস্ত্র সংস্কৃত ভাষাতেই লিখা। এতেকে সংস্কৃত শিক্ষাৰ জ্ঞান থাকিলেহে শাস্ত্রবোৰ ভালকৈ অধ্যয়ন কৰি তাৰ সাৰমর্ম উপলব্ধি কৰি হাতে কামে কৰিব পাৰি। জানিব পৰা মতে বহুকেইখন বিদেশী ৰাষ্ট্রত সংস্কৃত শিক্ষাৰ জ্ঞান থকা ছাত্র-ছাত্রীয়েহে চিকিৎসা বিজ্ঞান অধ্যয়ন কৰিবলৈ প্রথম সুবিধা লাভ কৰে। দুর্ভাগ্যৰ বিষয় যে য'ত সংস্কৃত ভাষাৰ সৃষ্টি হৈছিল সেই দেশত সংস্কৃত ভাষাটো এতিয়া এলাগি হৈ পৰিল। এটা কথা ঠিক যে এতিয়া ভাৰতবর্ষত সংস্কৃত শিক্ষাৰ জ্ঞান থাকিলেই চাকৰি নাপায় সঁচা কিন্তু মানুহজন সংস্কাৰি হৈ পৰে আৰু জীৱনটো আনন্দৰে উদ্‌যাপন কৰিবলৈ জ্ঞান লাভ কৰে। পণ্ডিত প্রবৰ কৃষ্ণকান্ত সন্ধিকৈ দেৱে মৃত্যুৰ আগে আগে কৈছিল যে "মোৰ এতিয়াও ছাত্র জীৱন শেষ হোৱা নাই।" গতিকে বয়োবদ্ধ হ'লেই ছাত্র জীৱন শেষ হৈ নাযায়। কাৰণ পৃথিৱীৰ সকলো মানুহে সকলো কথা নাজানে। মৃত্যুৰ আগমুহূর্তলৈকে আমি জ্ঞান আহৰণ কৰিব পাৰো। সৰু ছাত্র বা ছাত্রীৰ এজনৰ পৰাও বয়োবৃদ্ধ বা জ্ঞানবৃদ্ধ এখনে কথা শিকিব লগা হ'ব পাৰে। মোটামুটি দুই চকু মুদাৰ পাছতহে আমি জ্ঞানবৃদ্ধ হ'ব পাৰো।

যি কি নহওক ছাত্র-ছাত্রীসকলে নির্দিষ্ট সময়ত শিক্ষা গ্রহণ কৰি দেশৰ ধৰণীস্বৰূপ হ'বলৈ চেষ্টা কৰিব লাগে। প্রতিটো দিনেই আমাৰ কাৰণে গুৰুত্বপূর্ণ, বিশেষকৈ ছাত্র-ছাত্রীসকলৰ বাবে। গুৰুসকলৰ মুখেদি আজি যিখিনি কথা-বতৰা ওলাব কালিলৈ নোলাবও পাৰে। পৰিৱেশ আৰু পৰিস্থিতিৰ ওপৰত কথা। গতিকে কোনো কাৰণতে বিদ্যালয়লৈ নোযোৱাকৈ থাকিব নালাগে। ছাত্র-ছাত্রীসকলে বিদ্যালয় বা মহাবিদ্যালয়লৈ আহোতে খং, ৰাগ, গপ, অহংকাৰ, অভিমান, দম্ভ আদি অসৎ গুণবোৰ এৰি থৈ আহিব লাগে। শাস্ত্রত উল্লেখ থকা নৱবিধা ভক্তিৰ ভিতৰত শ্রৱণ আৰু কীর্ত্তনক অধিক গুৰুত্ব প্রদান কৰা হৈছে। শ্রৱন মানে শুনা আৰু কীর্তন মানে অধ্যয়ন কৰা বা পঢ়া। গুৰুসকলে প্রদান কৰা ভাষণ বা কথা-বতৰা ভালকৈ শুনিব লাগে আৰু নিজে সত্য আৰু শুদ্ধ ৰূপত প্রয়োগ কৰিব লাগে। ৯ বিধ ভক্তিৰ দাস্য ভক্তিৰে শিক্ষা জীৱন সমাপ্ত কৰিব পাৰিলে ভাল। শেষত স্বামী বিবেকানন্দৰ এযাৰ বাক্যৰে এই লেখা সামৰণি মাৰিলো—

"আমাক সেই শিক্ষাই লাগে, যাৰ দ্বাৰা চৰিত্র গঠন হয়, মানসিক শক্তি বাঢ়ে আৰু মেধাশক্তি বৃদ্ধি হয়। মানুহে নিজৰ ভৰিৰ ওপৰত থিয় দিব পৰা হয় আৰু সেয়া সম্ভৱ হ'ব মাতৃভাষাৰ দ্বাৰাহে।

সত্যম্ শিৱম্ সুন্দৱম্।

একেখন কাঁহীত ভাত

মামা-শহুৰৰ বাবে কইনা চাবলৈ যোৱা সেই যাত্রা সহজ নাছিল। দীঘলীয়া বন্ধৰ ফলত জনজীৱন প্রায় স্থবিৰ হৈ পৰিছিল তাত। এদিন-দুদিন নহয়,

বহু সময়ত এশ ঘণ্টা, হাজাৰ ঘণ্টা বা তাতোকৈ অধিক সময় ধৰি বন্ধ চলি থাকিছিল সেই সময়ত। তাৰ ফলত খাদ্য সামগ্রীৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাইছিল। এটা সাধাৰণ বন্ধা কবিৰ দামো ১০০ টকালৈকে হৈছিল। এনে পৰিস্থিতিত সাধাৰণ মানুহে প্রতিদিনে কঠিন জীৱন-সংগ্রাম চলাবলগীয়া হৈছিল।

ইম্ফল পোৱাৰ পিছত প্রায় দুই ঘণ্টাৰ যাত্রা কৰি আমি পাগানটাবি নামৰ এখন গাঁৱত উপস্থিত হৈছিলো। আলহী আপ্যায়নৰ ব্যৱস্থা আমাৰ অঞ্চলৰ দৰে আড়ম্বৰপূর্ণ নাছিল। আমাৰ ইয়াত নতুন আলহী আহিলে আমি মাছ, মাংস, কণী আদি বিভিন্ন ব্যঞ্জনেৰে আপ্যায়ন কৰোৱাও। কিন্তু তাত তেওঁলোকে নিজে যি খায়, আলহীকো সেয়াই আগবঢ়ায়। বাহ্যিক আড়ম্বৰ নাথাকিলেও আন্তৰিকতাৰ কোনো অভাৱ নাছিল।

আমাক আলহী ঘৰে এটা স্কুলত থাকিব দিছিল, আমাৰ উপস্থিতিৰ কিছু সময় পিছতেই এজাক প্রচণ্ড ধুমুহা-বৰষুণে আমি থকা স্কুল ঘৰটো সম্পূর্ণৰূপে ক্ষতিগ্রস্ত কৰি পেলালে। আমি কোনোমতে বিছনাৰ তলত আশ্রয় লৈ প্রাণ ৰক্ষা কৰিছিলো। বিদ্যালয়খন এজন দক্ষিণ আফ্রিকাৰ ব্যক্তিৰ সহযোগত চলাই থকা হৈছিল। ধুমুহাৰ পিছত গাঁওবাসীয়ে আগবাঢ়ি আহি আমাৰ খবৰ লৈছিল। তেওঁলোকে মণিপুৰী ভাষাত কথা পাতিছিল যদিও আমি একো বুজি পোৱা নাছিলো। তথাপি মিচিকীয়া হাঁহিৰে সঁহাৰি জনাইছিলো। ভাষাৰ বাধা থাকিলেও অনুভৱৰ কোনো সীমা নাথাকে।

এই ভ্রমণৰ আটাইতকৈ উল্লেখযোগ্য অভিজ্ঞতা আছিল— একেখন কাঁহীত ভাত খোৱাৰ সংস্কৃতি। মই যেতিয়া ভাত খাই আছিলো, তেতিয়া কন্যাৰ দেউতাকে আহি মোৰ কাঁহীতেই ভাত খাবলৈ আৰম্ভ কৰিলে। ঘটনাটোত মই অলপ লাজ আৰু অস্বস্তি অনুভৱ কৰিছিলো, কিয়নো আমাৰ সমাজত এনে অভ্যাস সচৰাচৰ দেখা নাযায়। সৰুৰে পৰা আমি নিজ নিজ কাঁহীত ভাত খোৱাৰ অভ্যাসেৰে ডাঙৰ হৈছো।

কিন্তু তেওঁলোকৰ বাবে এইটো একেবাৰে স্বাভাৱিক। তেওঁলোকে একেখন কাঁহীত ভাত খোৱাটো কেৱল খাদ্য গ্রহণ হিচাপে নেদেখে; বৰং ই একেলগে জীৱন ভাগ-বতৰা কৰাৰ প্রতীক। এই পৰম্পৰাই সমাজৰ মাজত একতা, আন্তৰিকতা আৰু নিকটতাৰ প্রকাশ ঘটায়।

তেওঁলোকৰ খাদ্য সংস্কৃতিতো বিশেষত্ব আছে। বেঙেনা, শুকান মাছ, জলকীয়া আদিৰে প্রস্তুত কৰা 'ইৰিম্বা' নামৰ ব্যঞ্জন প্রায় প্রতিটো ঘৰতে দেখা যায়। লগতে মৈতৈ সম্প্রদায়ৰ পুৰুষ-মহিলা উভয়ে কাণ ফুটোৱাৰ এক বিশেষ পৰম্পৰা অনুসৰণ কৰে, যিটো আমাৰ সমাজত সচৰাচৰ দেখা নাযায়।

এই অভিজ্ঞতাই এটা গভীৰ প্রশ্ন উত্থাপন কৰে- যেতিয়া মানুহে একেলগে বহি একেখন কাঁহীত ভাত খাব পাৰে, তেতিয়া হ'লে একে সমাজৰ ভিতৰতে কেনেকৈ বিভাজন আৰু সংঘাত সৃষ্টি কিয় হয়? হয়তো ইয়াৰ উত্তৰ ৰাজনীতি, ইতিহাস আৰু জটিল সামাজিক পৰিস্থিতিৰ মাজত লুকাই আছে।

শেষত, এই কাহিনীৰ মূল বাণী এয়াই-মানুহৰ মাজৰ সঁচা সম্পর্ক বাহ্যিক ভেদাভেদত নহয়; বৰং একেলগে বহি খোৱা, কথা পতা আৰু পাৰস্পৰিক বুজাবুজিৰ ওপৰত নির্ভৰ কৰে। আজিৰ সময়ত, য'ত ৰাজনৈতিক মতভেদে মানুহক বিভক্ত কৰিছে, মণিপুৰৰ এনে সৰু সৰু মানৱীয় মূল্যবোধবোৰে আমাক পুনৰ একেলগে আনিব পাৰে।

মণিপুৰত শীঘ্রেই শান্তি প্রতিষ্ঠা হওঁক-সেই কামনাই শেষ কৰিলো।

বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসক সদৌ অসম উকীল সন্থাৰ সম্বৰ্দ্ধনা

সমাজ হিতৈষী ব্যক্তিসকল ৰাজনীতিলৈ অহা উচিত

গুৱাহাটী ঃ সদৌ অসম উকীল সন্থাৰ পৰমানন্দ চৌধুৰী প্ৰেক্ষাগৃহত যোৱা ২৩ মে'ত সদৌ অসম উকীল সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভাত বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাসক সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অমল চন্দ্ৰ বৈশ্যই। সভাৰ আৰম্ভণিতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি আৰু প্ৰয়াত পৰমানন্দ চৌধুৰীৰ প্ৰতিমুৰ্ত্তিত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিছতে অসমৰ উকীল সন্থাসমূহৰ সদ্য প্ৰয়াত অধিবক্তাসকলৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌনতা অৱলম্বন কৰা হয়। ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকে দীপক কুমাৰ দাসৰ কৰ্মময় জীৱনৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। উল্লেখ্য যে সত্ৰনগৰী বৰপেটাৰ সন্তান দীপক কুমাৰ দাসে, অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত বৰপেটাৰ পৰা সদৌ অসম ছাত্ৰ সন্থাক নেতৃত্ব প্ৰদান কৰি আগভাগ লৈছিল। পৰৱৰ্তী পৰ্যায়ত বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে তেওঁ দায়িত্বভাৰ গ্ৰহণ কৰিছিল। আইনৰ স্নাতক ডিগ্ৰী সমাপ্ত কৰি অধিবক্তা হিচাপে তেওঁ কৰ্মজীৱনৰ পাতনি মেলে। অসম আন্দোলনৰ পটভূমিত গঠিত হোৱা সদৌ অসম উকীল সন্থাৰ একেধাৰে পঞ্চমবাৰৰ বাবে সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়ায় আৰু বৰ্তমান। বৰপেটা বিধানসভা সমষ্টিত বিপুল ভোটত নিৰ্বাচিত হৈ অধিবক্তা সমাজক গৌৰৱান্বিত কৰি তুলিছে। অমল চন্দ্ৰ বৈশ্যই তেওঁৰ বক্তব্যত আৰু কয় যে দীপক কুমাৰ দাসৰ কৰ্মৰাজি বহু অধিবক্তাৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস। উক্ত সভাত সদৌ অসম উকীল সন্থাৰ উপ-সভাপতি বিজন কুমাৰ মহাজনে দীপক কুমাৰ দাসক সম্বৰ্ধনা জ্ঞাপন কৰি বক্তব্য ৰাখে। সম্বৰ্ধনা গ্ৰহণ কৰি দিয়া

ভাষণত বিধায়ক দীপক কুমাৰ দাসে অধিবক্তা সমাজৰ উদ্দেশ্যি এক সাৰুৱা ভাষণ প্ৰদান কৰে আৰু তেওঁৰ কৰ্মময় জীৱনৰ অভিজ্ঞতাৰ বিষয়ে অৱগত কৰে। ভাষণত ভাল কাম কৰিলে শুভফল লাভকৰে বুলি তেওঁ মন্তব্য কৰে। তেওঁ মতপোষণ কৰে যে ৰাজনীতি বেয়া নহয় গতিকে অধিবক্তাসকলৰ লগতে সমাজ হিতৈষী ব্যক্তিসকল ৰাজনীতিলৈ অহা উচিত আৰু ৰাইজৰ মাজত একাত্মবোধ হৈ ৰাইজৰ হিতৰ বাবে নিজকে আগবঢ়াই দিব লাগে। উক্ত সভাত সভাপতিত্ব কৰে সদৌ অসম উকীল সন্থাৰ সভাপতি শৈলেন্দ্ৰ দাসে। সভাত উপস্থিত থাকে কাৰ্যকৰি সভাপতি মানস শৰণীয়া, সদৌ অসম উকীল সন্থাৰ উপদেষ্টা মণ্ডলী, বিষয়ববীয়াসকল, কাৰ্যকৰি সমিতিৰ সদস্য/সদস্যাসকল লগতে অসমৰ বিভিন্ন উকীল সন্থাৰ সভাপতি/সম্পাদক আৰু বিষয়ববীয়াসকল। উক্ত সভাৰ আৰম্ভণিতে অধিবক্তা কুশমণি নাথৰ পৰিচালনাত এটি সুন্দৰ সমবেত সংগীত পৰিৱেশন কৰা হয়।

বাসনা সাহিত্য গোষ্ঠী

স্ব-ৰচিত কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

নলবাৰী ঃ অসমৰ আগশাৰীৰ সাহিত্য সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীৰ উদ্যোগত সদৌ অসম সাংবাদিক সন্থা (আজু) আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমাজকৰ্মী ৰোহিনী মেধিৰ সোঁৱৰণত সদৌ অসম ভিত্তিত আয়োজন কৰা স্ব-ৰচিত কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। প্ৰতিযোগিতাত সৰলা দেৱী বৰুৱা, ঊষা দেৱী, বন্তি শইকীয়া দত্ত, শেৱালী কলিতা, চিত্ৰা বৰ্মন (কামৰূপ মহানগৰ) সৰলা দাস (নলবাৰী), অতুল কুমাৰ বৰ্মন (ওদালগুৰি), উমেশ বড়ো, প্ৰাণহৰি দাস (বৰপেটা), কুসুম পাটোৱাৰী লহকৰ (বাক্সা), তপন অধিকাৰী (শোণিতপুৰ), গায়ত্ৰী গোস্বামী (গোলাঘাট) সৰ্বমুঠ বাৰগৰাকী প্ৰতিযোগীক নিৰ্বাচিত কৰা হৈছে। অহা ৬ জুনত গুৱাহাটীত প্ৰয়াত ৰোহিনী মেধিৰ একাদশ মৃত্যু বাৰ্ষিকীত পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব বুলি বাসনা সাহিত্য গোষ্ঠীৰ সভাপতি ড° দেৱীপ্ৰসাদ অধিকাৰী আৰু সম্পাদিকা কৰবী দাস মেধিয়ে এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে।

পাঠশালাত জৰাজীৰ্ণ পথেৰে চলিছে যাতায়াত

অসম ভূমি সেৱা, পাঠশালা ঃ বজালী জিলা সদৰ পাঠশালাৰ পথ এটাৰ জৰাজীৰ্ণ অৱস্থাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। বহুদিন ধৰি পথটোৰ বেয়া অৱস্থাৰ বাবে সাধাৰণ জনতাই প্ৰতিদিনে যাতায়াতৰ ক্ষেত্ৰত নানান সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, পাঠশালা পৌৰসভাৰ ৬ নং ৱাৰ্ডৰ ড° ভূপেন হাজৰিকা পথটো দীৰ্ঘদিন ধৰি প্ৰায় ভগ্নপ্ৰায় অৱস্থাত আছে যদিও পথটোৰ উন্নয়নক লৈ সংশ্লিষ্ট বিভাগ বা কৰ্তৃপক্ষই কোনো গুৰুত্ব আৰোপ কৰা নাই। বিশেষকৈ বাৰিষাৰ সময়ত পথটোৰ বহু অংশ বোকা-পানীৰে ভৰি পৰে, যাৰ ফলত পথচাৰী আৰু যান বাহন চলাচল অতি কষ্টসাধ্য হৈ পৰে। স্থানীয় ৰাইজে সংবাদ মাধ্যমৰ আগত কয় যে, পথটিৰ উন্নয়নৰ বাবে বিভিন্ন সময়ত দাবী উত্থাপন কৰাৰ পিছতো কৰ্তৃপক্ষই অদ্যপি কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নাই। তেওঁলোকে কয় যে বাৰিষা সময়ত পথটোৰ অৱস্থা অধিক শোচনীয় হৈ পৰে। অঞ্চলটোৰ আৱাসীসকলে বহুদিন ধৰি পথটো মেৰামতি কৰাৰ দাবী জনাই আহিছে; কিন্তু সংশ্লিষ্ট বিভাগে আজিলৈকে কোনো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ লগতে পথটোৰ বেয়া অৱস্থাই দৈনন্দিন যাতায়াত ব্যাহত কৰাৰ উপৰি বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু জৰুৰীকালীন সেৱাৰ ক্ষেত্ৰতো বিশেষ সমস্যাৰ সৃষ্টি কৰিছে। চলিত বৰ্ষাকালত পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ পূৰ্বে সংশ্লিষ্ট বিভাগ আৰু জিলা প্ৰশাসনে অতি শীঘ্ৰে পথটো পৰিদৰ্শন কৰি মেৰামতি কৰি যাতায়াতৰ বাবে সুচল ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে ৰাইজে।

ভাৰত ৰাজৰ কবিতা পুথি 'কাংথিলাংছৰ উচুপনি' উন্মোচন

অসম ভূমি সেৱা, বৰমা ঃ 'কবিতাক বাদ দি আমি জীৱন জাপন কৰিব পাৰো কিন্তু জীৱনটো উপভোগ কৰিব নোৱাৰো। অৰ্থবহ ভাষাৰ সংমিশ্ৰণতে কবিতাৰ সৃষ্টি হয়। কবি এজনে অতি কম সময়ত কবিতা লিখিব নোৱাৰে। কবিতা অন্তৰংগ মুহূৰ্তৰ সংযোগ। সাম্প্ৰতিক সময়ত কবিসকল বিভিন্ন দিশত বন্ধনত থাকিবলগীয়া হয়। কিতাপ এখনৰ পাঠকসকলৰ শুভেচ্ছাই লিখকসকলক প্ৰেৰণা যোগায়।' নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত তথা পশ্চিম দহকাউনীয়া ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সহযোগত শ্ৰীশ্ৰীবিষ্ণু নামঘৰ প্ৰাংগণত সাংবাদিক, উদীয়মান কবি ভাৰত ৰাজৰ কবিতা পুথি 'কাংথিলাংছৰ উচুপনি' কবিতা পুথি উন্মোচনৰ লগতে বসন্তৰ বিয়লি কবিতাৰ আলাপ এটি মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি ডাঃ সমৰ তালুকদাৰৰ সভাপতিত্বত

তথা জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতাই আঁতধৰা অনুষ্ঠানটোত কবিতা পুথিখন উন্মোচন কৰি বিশিষ্ট কবি অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ কমল কুমাৰ জৈনে এই দৰে কয়। তেওঁ পুনৰ কয় যে কিতাপ এখন পাঠকসকলৰ শুভেচ্ছাই লিখকসকলক প্ৰেৰণা যোগায়। পুথি পাঠকেহে প্ৰকৃততে উন্মোচন কৰে। পাঠকে যেতিয়া কবিতা পঢ়ি আওৰাই আন লোকৰ ওচৰলৈ যায় তেতিয়াহে প্ৰকৃততে পুথি উন্মোচন হয়। সভাত সন্মানিত অতিথি হিচাপে উপস্থিত থাকি নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই কয় যে গভীৰ অনুধাৱন, অধ্যাৱসায়-মননশীল চিন্তাৰ দ্বাৰাই কবিতাৰ সৃষ্টি হয়। এটা কবিতাই পাঠকৰ মন জয় কৰাটোৱেই কবিৰ সাফল্যতা বুজায়। ধমধমা আঞ্চলিক মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° দিগন্ত ৰাজবংশীয়ে কয় যে কবিয়ে সামাজিক দায়িত্বৰ পৰা হাত সাৰিব নোৱাৰে। দেখা যায় বহু সময়ত কবিয়ে নিৰ্দিষ্ট দূৰত্বৰ পৰা যেন আগুৰাই যাব পৰা নাই। ভাৰত ৰাজৰ কবিতাত সমাজ সচেতনতাৰ নিদৰ্শন থকা বুলি মত প্ৰকাশ কৰে। বৰমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ কুমাৰ শৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বেজবৰুৱা অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ সংগঠক বঁটাপ্ৰাপক তথা নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বেজবৰুৱাই কয় যে কবিসকলৰ কৰ্ম বা চিন্তা ভিন্ন হ'লেও কবি বা লেখকসকলৰ উদ্দেশ্য হৈছে সমাজৰ কল্যাণ সাধন কৰা। আমাৰ মতৰ অমিল হ'লেও কলমৰ সেই মহৎ উদ্দেশ্য আৰু চৰিত্ৰ অক্ষুণ্ণ ৰাখিব লাগিব। নতুন প্ৰজন্মৰ কবি লেখকসকলে এই চিন্তাৰে বাট বুলিব বুলি সাহিত্য সংগঠকগৰাকায়ে কামনা কৰে। পশ্চিম দহকাউনীয়া ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি নৰেন্দ্ৰ নাথ পাটোৱাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানত দিলিপ কুমাৰ হালৈ, মদন ৰাজবংশী, দধি দাস, প্ৰমোদ ডেকা, নিৰেণ তালুকদাৰ, কুমুদ বৰ্মন, উদ্ধৱ পাঠক, সনাতন তালুকদাৰ, পুলেন গোস্বামী, আলকাচ আলী, ভাৰত ৰাজৰ লগতে কেইবাগৰাকীও বিশিষ্ট কবিয়ে কবিতা পাঠ কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। উন্মোচনী সভাত পথাৰ পাৱিচাৰ্চৰ স্বত্বাধিকাৰী মহিধৰ কলিতা, কাজিৰঙা প্ৰিন্টি প্ৰেছৰ সঞ্জীৱ হালৈ উপস্থিত থাকে। নৱ প্ৰজন্মৰ ঝৰ্ণা ৰাজবংশী, নৱনীতা বৰ্মন, অলিম্পিতা বৰ্মন আৰু প্ৰজ্ঞাশ্ৰী ৰাজবংশীয়ে 'চিৰ চেনেহী মোৰ ভাষা জননী' বৃন্দগীত পৰিৱেশনেৰে অনুষ্ঠানৰ আৰম্ভ কৰা হয়।

■ অসম ভূমি ■ ২৭ মে', ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

মূল্যবোধৰ শিক্ষা

বৰ্তমান মানৰ সভ্যতাই একবিংশ শতিকাৰ দুৱাৰডলিত অৱতীৰ্ণ হৈছে। আধুনিক ব্যক্তি জীৱন বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভাৱেৰে প্ৰভাৱিত হৈছে, গতিকে মানৱীয় প্ৰমূল্যসমূহো নতুন নতুন চিন্তাধাৰাৰে পৰিচালিত হোৱা দেখা গৈছে। শিক্ষা, স্বাস্থ্য অথবা জীৱন যাপনৰ প্ৰয়োজনীয় উপাদানসমূহৰ লগত খাপ খোৱাকৈ মূল্যবোধসমূহৰো পৰিৱৰ্তন হ'ব ধৰিছে।

শিক্ষা মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে। মূল্যবোধৰ শিক্ষাই আমাক মূল্যবোধসমূহৰ তাৎপৰ্য উপলব্ধিও সহায় কৰে। সমাজে গ্ৰহণযোগ্য আৰু প্ৰয়োজনীয় বুলি বিবেচনা কৰা বিভিন্ন মূল্যবোধসমূহ ছাত্ৰ-ছাত্ৰীৰ মনত বিকশিত কৰি তোলাৰ প্ৰচেষ্টা চলোৱা, উপযুক্ত বিষয়বস্তু, শিক্ষা পদ্ধতি আৰু অনুশীলনৰ ব্যৱস্থা কৰা, নিজস্ব ঐতিহ্য, জাতীয় আদৰ্শ আৰু বিশ্বজনীন ভাবাদৰ্শৰে শিক্ষাৰ্থীক উদ্বুদ্ধ কৰা, সংবেদনশীল আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলা, বহল দৃষ্টিভংগীৰে সমস্যা সমাধান কৰাৰ মানসিকতা গঢ় দি নতুন সত্যৰ আৱিষ্কাৰৰ বাবে শিক্ষাৰ্থীক অনুপ্ৰাণিত কৰাই মূল্যবোধৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য হোৱা উচিত। পুৰণিকালৰ পৰাই উপযুক্ত মূল্যবোধ সৃষ্টি কৰাত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষাৰ কাম প্ৰকৃত মানুহ তৈয়াৰ কৰা। কিন্তু বৰ্তমান শিক্ষাত বৈষয়িক আৰু পাৰ্থিৱ দিশটোৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰা হয়। বৰ্তমানৰ শিক্ষাই জীৱিকা অৰ্জনৰ পথহে প্ৰশস্ত কৰে। আধুনিক জগতখনত জ্ঞান-দক্ষতাৰ প্ৰয়োজন হ'লেও সকলোতকৈ অধিক প্ৰয়োজন হৈছে মানৱীয় মূল্যবোধৰ। গতিকে আধুনিক শিক্ষা হ'ব লাগিব জীৱন গঢ়াৰ, মানুহ গঢ়াৰ আৰু চৰিত্ৰ গঠনৰ (Life building, man making and character making)

বৰ্তমান যুগত সমাজত মূল্যবোধৰ যি অৱক্ষয় ঘটিছে তাৰ প্ৰত্যক্ষ ঋণাত্মক প্ৰভাৱ ছাত্ৰ সমাজত দেখা গৈছে। বৰ্তমান ছাত্ৰ সমাজৰ একাংশৰ মাজত বিদ্যালয়ত পাঠগ্ৰহণ কাৰ্যত অনীহা, নিয়মানুৱৰ্তিতাৰ অভাৱ, গুট্‌খা খাই বিদ্যালয়বোৰত পিকোৱা কাৰ্য আদি নেতিবাচক মনোভাবসমূহ সততে পৰিলক্ষিত হয়। এইবোৰে ছাত্ৰ সমাজৰ মূল্যবোধৰ স্খলন ঘটাইছে। যিহেতু ছাত্ৰ সমাজ ভৱিষ্যৎ জাতি গঠনকাৰী সেয়েহে তেওঁলোকক উপযুক্ত মূল্যবোধৰ শিক্ষা দি সমাজ আৰু বিশ্বৰ হিতসাধনৰ উপযোগী কৰি গঢ়ি তুলিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ নৈতিক জীৱনৰ ভেটি পৰিয়ালতে গঢ় লৈ উঠে। পৰিয়ালৰ লোকসকলৰ সুস্থ চিন্তা-চৰ্চা, আচাৰ-ব্যৱহাৰ আদিয়ে নিজৰ সন্তানৰ মূল্যবোধ গঢ় দিয়াত সহায় কৰে। পৰিয়ালৰ শান্তিপূৰ্ণ আৰু আনন্দময় পৰিৱেশে যোগাত্মক মূল্যবোধৰ সৃষ্টিত গুৰুত্বপূৰ্ণ অৱিহণা যোগাব পৰে। পৰিয়ালত দমনমূলক ব্যবস্থা লোৱাৰ পৰিৱৰ্তে সন্তানৰ সমস্যাসমূহ সহানুভূতিৰে বিচাৰ কৰি স্বতঃস্ফূৰ্ত বিকাশৰ সুবিধা প্ৰদান কৰিব লাগে। সামাজিক মূল্যবোধসমূহৰ বিকাশ সাধনত পৰিয়ালবিলাকে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগে। পৰিয়ালৰ লোকে শিক্ষাৰ্থীৰ সন্মুখত কিছুমান আদৰ্শমূলক দৃষ্টান্ত দাঙি ধৰি মূল্যবোধৰ বিকাশ সাধন কৰিব পাৰে। এইক্ষেত্ৰত মহাত্মা গান্ধীয়ে কৈছিল "We must become the change we want to see in the world."

পৰিয়ালত পিতৃ-মাতৃৰ দৰে বিদ্যালয়ত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক মূল্যবোধ গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে বিদ্যালয়ত মূল্যবোধৰ শিক্ষা প্ৰত্যক্ষ পদ্ধতিৰে অৰ্থাৎ আনুষ্ঠানিক শিক্ষাৰ অংশ হিচাপে সুপৰিকল্পিতভাৱে প্ৰদান কৰা হয়। আনহাতে, বিদ্যালয়ৰ সমগ্ৰ পৰিৱেশৰ পৰাই পৰোক্ষভাৱে এই শিক্ষা গ্ৰহণ কৰিব পাৰে। মূল্যবোধৰ বিকাশ সাধনৰ ক্ষেত্ৰত বিদ্যালয়ৰ পাঠ্যক্ৰম, বিদ্যালয়ৰ পৰিৱেশ আৰু শিক্ষকৰ আচৰণ আদি দিশবোৰ জড়িত হৈ আছে। বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী যেনে— সামূহিক প্ৰাৰ্থনা, সমাজসেৱা, জাতীয় দিৱস পালন আদিয়ে ছাত্ৰ-ছাত্ৰীৰ মূল্যবোধৰ শিক্ষা গঢ় লৈ উঠাত সহায় কৰে। প্ৰাতঃসভাৰ জৰিয়তে শিক্ষক আৰু শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ এক সুস্থ পৰিৱেশ তৈয়াৰ কৰি ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীক লগত লৈ শিক্ষকসকলে যদি বিদ্যালয়ৰ চৌহদ পৰিষ্কৰণকে ধৰি সামাজিক অনুষ্ঠানসমূহৰ চাফ-চিকুণতাক গুৰুত্ব দিয়ে ক'ব নোৱৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যবোধৰ বিকাশ সাধন হ'ব।

"সামাজিক যোগাযোগ আৰু বুজাপৰাত অসুবিধা ঃ অন্য শিশুৰ লগত নেখেলে (?) কিয়নো ভাল মনে কথা পতা, দুয়োজনৰ মাজত কথোপকথন নিতান্তই প্ৰয়োজনীয়। অগ্ৰজসকলেই তেওঁলোকে বুজি নাপায়, একে বয়সৰ শিশুৱে আনজন কথা নোকোৱা শিশু লগত কেনেকৈ খেলিব? সেয়ে অটিষ্টিক শিশুৱে কোনেও নুবুজা কাৰণে শেষত অকলশৰীয়া হৈ ৰয়। ভাবি চাবচোন সমাজৰ নাগৰিকসকল, আপুনি, মই সহযোগ কৰিব নোৱাৰোনে? চকুলৈ নাচায় অটিষ্টিক শিশুসকলে বাৰু চকুলৈ নাচায় কাৰণ সমাজত তেওঁলোকক বেলেগ চকুৰেই চায় চকুলৈ নাচালেও অনুভৱ কৰিব পাৰে। তেওঁলোকে নাচালেও আমি জানো তেওঁলোকক মৰমৰ সঁহাৰি দিব নোৱাৰো। সমাজৰ প্ৰতিজন ব্যক্তিয়ে এবাৰকৈও শিশুটিক চকুলৈ চোৱাৰ প্ৰয়াস কৰে, এটা শব্দ, এটা আচৰণ শিকায়, মৰমৰ হাঁহি দিয়ে, তেন্তে লাহে লাহে তেওঁ লোকৰো যোগাযোগ ক্ষমতা বৃদ্ধি পাব। এই ধৰণৰ সহায়ে কেৱল শিশুটোকেই নহয়, তেঁওৰ পিতৃ-মাতৃ আৰু পৰিয়ালকো মানসিক শান্তি দিব।"

মানসিক বিকাশজনিত সমস্যা আৰু শিশুৰ সামাজিক সম্পৰ্ক

বৃষ্টি বৰগোহাঁই

আজিৰ সমাজত 'অটিজিম' এক গুৰুত্বপূৰ্ণ বিকাশজনিত সমস্যা হিচাপে পৰিগণিত হৈছে। 'অটিজিম' বা 'Autism Spectrum Disorder' (ASD) হৈছে স্নায়ুৰ লগত জড়িত মানসিক বিকাশজনিত সমস্যা যাৰ ফলত শিশুৰ সামাজিক সম্পৰ্ক, কথা-কোৱাৰ বা প্ৰকাশ কৰা আৰু আচৰণ তথা সমাজৰ পৰা আৰু পৰিৱেশৰ পৰা শিকাত অসুবিধা হোৱা পৰিলক্ষিত হয়। বিশ্ব স্বাস্থ্য সংস্থা (W.H.O.)ৰ তথ্য অনুসৰি বিশ্বত প্ৰায় প্ৰতি ১০০জন শিশুৰ ভিতৰত এজনকৈ ইয়াৰ ভুক্তভোগী হয়। বিভিন্ন গৱেষণাই দেখুৱাইছে যে গৰ্ভাৱস্থাত মাতৃৰ মানসিক চাপ, অত্যাধিক ৰূপত গৰ্ভনিৰোধক দৰৱ সেৱন কৰা, বংশগত আৰু ২ বছৰ বয়সলৈকে শিশুটিক বাহ্যিক পৰিৱেশত একাত্ম নকৰিলে, দৰৱৰ দ্বাৰা গৰ্ভপাত কৰালেও জড়িত কাৰণ হ'ব পাৰে। বিশেষকৈ Misoprostol নামৰ ঔষধৰ ক্ষেত্ৰত কিছুমান গৱেষণাই কৈছে যে 'Unsuccessful abortion attempt' পাছত জন্ম হোৱা শিশুৰ Neurodevelopmental problem আৰু Autism Spectrumৰ লক্ষণবিলাকৰ সম্ভাব্য সংযোগ আছে। আনহাতে গৰ্ভাৱস্থাত Antidepressant বা Paracetamolৰ অধিক ব্যৱহাৰ আৰু ASDৰ মাজত সম্পৰ্ক আছে বুলি উল্লেখ কৰিছে। এতিয়াও অটিজিমৰ একক আৰু নিশ্চিত কাৰণ বিচাৰি পোৱা নাযায়। যুগ যুগ ধৰি সমাজত 'অটিষ্টিক' ব্যক্তি আছিল। পাৰ্থক্য কেৱল এটাই যে আগতে সজাগতা কম আছিল বা একেবাৰেই নাছিল আৰু বহু ব্যক্তিক 'অসামাজিক, জেদী, গাধ, অকৰা' আদি নামেৰে নামাংকৰণ কৰা হৈছিল যদিও শিক্ষকসকলে শিক্ষাৰ পৰা বঞ্চিত কৰা নাছিল।

অটিছিম মানে বুদ্ধিহীনতা নহয়। বহু অটিষ্টিক ব্যক্তি অসাধাৰণভাৱে মেধা, সৃষ্টিশীলতা আৰু প্ৰতিভাৰ অধিকাৰী। তেওঁ লোকৰ চিন্তা কৰাৰ ধৰণ, আচৰণত ভিন্নতা থাকে; কিন্তু সেই ভিন্নতাই বহু সময়ত বিশেষ দক্ষতালৈ ৰূপান্তৰিত হোৱাও পৰিলক্ষিত হৈছে। কিছুমান বিখ্যাত 'অটিষ্টিক' ব্যক্তিৰ উদাহৰণ ঃ

১। টেম্পল্ গ্ৰেনদীন (Temple grandin) ঃ পশু আচৰণ বিজ্ঞানী আৰু 'অটিজিম' সজাগতাৰ বিশ্ববিখ্যাত অৱয়ৱ।

২। এলবাৰ্ট আইষ্টাইন্ (Albert Einstein) ঃ বিশ্ববিখ্যাত পদাৰ্থ বিজ্ঞানী, তেখেতে আৰু শিশুকালত বহু দেৰিকৈ কথা কৈছিল, সমাজৰ লগত কথা-বাৰ্তা কমকৈ কৈছিল আদি 'আৰ্টপিনা' লক্ষণ দেখা পোৱা গৈছিল বুলি গৱেষণাকাৰী সকলে উল্লেখ কৰিছে।

৩। আইজাক নিউটন (Isaac Newton) ঃ গভীৰ মনোযোগ আৰু সামাজিক বিচ্ছিন্নতা আদি অটিজিমৰ লক্ষণ দেখা পোৱা গৈছিল।

৪। সতোষী তাজিৰি (Satoshi Tajini) ঃ 'Pokeman'ৰ সৃষ্টিকৰ্তা, যাৰ অটিজিমৰ লক্ষণসমূহ দেখা পোৱা গৈছিল।

অটিজিমৰ ৩ টা গুৰুত্বপূৰ্ণ সমস্যা ঃ

১। কথা প্ৰকাশ কৰা (অৰ্থপূৰ্ণ) আৰু সামাজিক যোগাযোগৰ সমস্যা।

(ক) নাম ধৰি মাতিলে সঁহাৰি নিদিয়া, (খ) চকুত চকু লৈ কথা নোকোৱা, (গ) নিজৰ প্ৰয়োজন বা শৰীৰৰ অনুভৱ শব্দৰে প্ৰকাশ কৰিব নোৱাৰা উদাহৰণস্বৰূপেঃ একে বয়সব অন্য শিশুৱে যেনেকৈ প্ৰস্ৰাৱ লগা, পায়খানা লগা, পিয়াহ, ভোক, ঠাণ্ডা, গৰম, গা-বেয়া লগা বা বিষোৱা, কাৱোবাক ভাল নলগা আদিবিলাক প্ৰকাশ কৰে, 'মা, মোৰ ভয় লাগিছে', 'মোৰ গাটো বেয়া লাগিছে', 'অলপ ৰবাচোন ভৰিটো বিষাইছে' চোলাটো/চুৰেটোৰ খুলি দিয়া চোন, বৰ গৰম উঠিছে, সি বৰকৈ মাৰে, গালি পাৰে, দাদাৰ লগত নেখেলো ইত্যাদি ইত্যাদি অটিষ্টিক শিশুৱে নিজৰ মাজতে সামৰি থয়।

এবাৰ ভাবি চাবচোন কিমান কষ্ট হয়, যেতিয়া ঘামি ঘামি অটিষ্টিক শিশুৱে কান্দি থাকে, কোনেও নুবুজে, শ্ৰেণীকোঠাত মনে মনে থাকিবলৈ কব, তেওঁলোকৰ মানসিক স্থিতি দুৰ্বল হ'ব নে শক্তিশালী হ'ব?

২। সামাজিক যোগাযোগ আৰু বুজাপৰাত অসুবিধা ঃ অন্য শিশুৰ লগত নেখেলে (?) কিয়নো ভাল মনে কথা পতা, দুয়োজনৰ মাজত কথোপকথন নিতান্তই প্ৰয়োজনীয়। অগ্ৰজসকলেই তেওঁলোকে বুজি নাপায়, একে বয়সৰ শিশুৱে আনজন কথা নোকোৱা শিশু লগত কেনেকৈ খেলিব? সেয়ে অটিষ্টিক শিশুৱে কোনেও নুবুজা কাৰণে শেষত অকলশৰীয়া হৈ ৰয়। ভাবি চাবচোন সমাজৰ নাগৰিকসকল, আপুনি, মই সহযোগ কৰিব নোৱাৰোনে? চকুলৈ নাচায় অটিষ্টিক শিশুসকলে বাৰু চকুলৈ নাচায় কাৰণ সমাজত তেওঁলোকক বেলেগ চকুৰেই চায় চকুলৈ নাচালেও অনুভৱ কৰিব পাৰে। তেওঁলোকে নাচালেও আমি জানো তেওঁলোকক মৰমৰ সঁহাৰি দিব নোৱাৰো। সমাজৰ প্ৰতিজন ব্যক্তিয়ে এবাৰকৈও শিশুটিক চকুলৈ চোৱাৰ প্ৰয়াস কৰে, এটা শব্দ, এটা আচৰণ শিকায়, মৰমৰ হাঁহি দিয়ে, তেন্তে লাহে লাহে তেওঁ লোকৰো যোগাযোগ ক্ষমতা বৃদ্ধি পাব। এই ধৰণৰ সহায়ে কেৱল শিশুটোকেই নহয়, তেঁওৰ পিতৃ-মাতৃ আৰু পৰিয়ালকো মানসিক শান্তি দিব।

৩। আচৰণৰ পুনৰাবৃত্তি আৰু ইন্দ্ৰিয়জনিত সমস্যা হাতখনৰ লগত ব্যস্ত থকা আৰু জোকাৰি থকা একে কাম বাৰে বাৰে কৰা বা খেলবিলাক একেধৰণে খেলা। দৈনন্দিন ৰুটিন সালসলনিত কন্দা, চিএঁৰা বেছিকৈ খোৱা বা বাচনিযুক্ত খাদ্য, বেছি পোহৰ, শব্দ, গোন্ধ, কাপোৰ ইত্যাদিৰে সহ্য কৰিব নোৱাৰা এক অবস্থা। উদাহৰণস্বৰূপে, যদি নতুন কাপোৰৰ টেগ বা বুটাম, চেইন, নাইলন কাপোৰ ইত্যাদিয়েও ■ ১০ পৃষ্ঠাত

অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ

শিক্ষাৰ মূল লক্ষ্য হ'ল ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ সৈতে সংযোগ কৰা, তেওঁলোকৰ সমালোচনাত্মক চিন্তাশক্তিৰ বিকাশ ঘটোৱা আৰু তেওঁলোকক এনে দক্ষতাৰে সমৃদ্ধ কৰা যিয়ে জীৱনৰ বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰাত সহায় কৰে। অসমৰ চৰকাৰী বিদ্যালয়সমূহে এই লক্ষ্যত উপনীত হ'বলৈ বহু সময়ত নানা ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। গ্ৰাম্য অঞ্চলৰ বিদ্যালয়সমূহত আন্তঃগাঁথনিৰ অভাৱ, শিক্ষকৰ প্ৰশিক্ষণৰ অপৰ্যাপ্ততা আৰু ছাত্ৰ-ছাত্ৰীৰ জনসংখ্যাগত বৈচিত্ৰ্যৰ সৈতে খাপ খুৱাই ল'ব পৰা পাঠ্যক্ৰমৰ অভাৱৰ ফলত শিক্ষাৰ গুণগত মানৰ ওপৰত প্ৰভাৱ পৰে। তথাপি শেহতীয়া বছৰবোৰত অসম চৰকাৰে শিক্ষাৰ মান উন্নত কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ৰূপায়ণৰ জৰিয়তে শিক্ষাৰ গাঁথনিত আমূল পৰিৱৰ্তনৰ প্ৰচেষ্টা আৰম্ভ হৈছে। এই নীতিয়ে প্ৰাক্‌প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈকে শিক্ষাৰ এক সামগ্ৰিক কাঠামোৰ প্ৰস্তাৱ দিয়ে, য'ত ছাত্ৰ-ছাত্ৰীৰ বহুমুখী বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

হিমাংশু ৰণ্‌জন ভূঞা

চৰকাৰী বিদ্যালয়সমূহ অসমৰ শৈক্ষিক ক্ষেত্ৰৰ মেৰুদণ্ডৰ দৰে আৰু এই বিদ্যালয়সমূহৰ উন্নতিৰ ওপৰত নিৰ্ভৰ কৰে ৰাজ্যৰ ভৱিষ্যৎ প্ৰজন্মৰ জ্ঞান, দক্ষতা আৰু সমাজৰ সামগ্ৰিক প্ৰগতিৰ সম্ভাৱনা। আজিৰ দিনত শিক্ষাৰ গুৰুত্ব অপৰিসীম, কাৰণ ই কেৱল ব্যক্তিৰ জীৱনৰ উন্নতিৰ পথ নহয়, সমগ্ৰ সমাজখনৰ অৰ্থনৈতিক, সাংস্কৃতিক আৰু নৈতিক উন্নয়নৰ এক মূল চালিকা শক্তি। অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ গঢ় দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ নীতি, আন্তঃগাঁথনিৰ উন্নয়ন, শিক্ষকৰ দক্ষতা, পাঠ্যক্ৰমৰ আধুনিকীকৰণ, প্ৰযুক্তিৰ সংযোজন, গ্ৰাম্য আৰু নগৰীয়া শৈক্ষিক বৈষম্যৰ হ্ৰাস, সমাজৰ সৈতে শিক্ষাৰ সংযোগ আৰু সামগ্ৰিক শিক্ষাৰ বিকাশৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

শিক্ষাৰ মূল লক্ষ্য হ'ল ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ সৈতে সংযোগ কৰা, তেওঁলোকৰ সমালোচনাত্মক চিন্তাশক্তিৰ বিকাশ ঘটোৱা আৰু তেওঁলোকক এনে দক্ষতাৰে সমৃদ্ধ কৰা যিয়ে জীৱনৰ বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰাত সহায় কৰে। অসমৰ চৰকাৰী বিদ্যালয়সমূহে এই লক্ষ্যত উপনীত হ'বলৈ বহু সময়ত নানা ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। গ্ৰাম্য অঞ্চলৰ বিদ্যালয়সমূহত আন্তঃগাঁথনিৰ অভাৱ, শিক্ষকৰ প্ৰশিক্ষণৰ অপৰ্যাপ্ততা আৰু ছাত্ৰ-ছাত্ৰীৰ জনসংখ্যাগত বৈচিত্ৰ্যৰ সৈতে খাপ খুৱাই ল'ব পৰা পাঠ্যক্ৰমৰ অভাৱৰ ফলত শিক্ষাৰ গুণগত মানৰ ওপৰত প্ৰভাৱ পৰে। তথাপি শেহতীয়া বছৰবোৰত অসম চৰকাৰে শিক্ষাৰ মান উন্নত কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ৰূপায়ণৰ জৰিয়তে শিক্ষাৰ গাঁথনিত আমূল পৰিৱৰ্তনৰ প্ৰচেষ্টা আৰম্ভ হৈছে। এই নীতিয়ে প্ৰাক্‌প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈকে শিক্ষাৰ এক সামগ্ৰিক কাঠামোৰ প্ৰস্তাৱ দিয়ে, য'ত ছাত্ৰ-ছাত্ৰীৰ বহুমুখী বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই নীতিৰ প্ৰয়োগৰ ফলত শিক্ষাৰ পৰিৱেশ অধিক গতিশীল আৰু ফলপ্ৰসূ হ'ব পাৰে, যদিহে ইয়াক স্থানীয় পৰ্যায়ত সঠিকভাৱে কাৰ্যকৰী কৰা হয়। এই নীতিৰ সফলতা নিৰ্ভৰ কৰে স্থানীয় পৰিস্থিতিৰ সৈতে সংগতি ৰাখি পৰিকল্পনা প্ৰণয়ন, সম্পদৰ সঠিক বিতৰণ আৰু নিয়মীয়া নিৰীক্ষণৰ ওপৰত। এই নীতিয়ে শিক্ষাৰ পৰম্পৰাগত পদ্ধতিৰ পৰা আঁতৰি ব্যৱহাৰিক আৰু জীৱনমুখী শিক্ষাৰ দিশে অগ্ৰসৰ হোৱাৰ পথ প্ৰদৰ্শন কৰিছে। অসমৰ চৰকাৰী বিদ্যালয়সমূহে এই নীতিৰ সঠিক ৰূপায়ণৰ জৰিয়তে শিক্ষাৰ গুণগত মান উন্নত কৰি ছাত্ৰ-ছাত্ৰীক বিশ্বৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ সক্ষম কৰিব পাৰে। তদুপৰি, এই নীতিয়ে শিক্ষাৰ সৰ্বব্যাপীকৰণৰ লক্ষ্যত গুৰুত্ব দিয়ে, যাৰ ফলত সমাজৰ পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও শিক্ষাৰ সুযোগ সুলভ হ'ব। এই দিশত অগ্ৰগতিৰ জৰিয়তে অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ অধিক উজ্জ্বল হ'ব পাৰে, যাৰ ফলত ৰাজ্যৰ শৈক্ষিক পৰিৱেশৰ এক আমূল পৰিৱৰ্তন সম্ভৱ হ'ব।

আন্তঃগাঁথনিৰ উন্নয়ন শিক্ষা ব্যৱস্থাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত এক অতি গুৰুত্বপূৰ্ণ দিশ। অসমৰ গ্ৰাম্য অঞ্চলৰ বহু বিদ্যালয়ত শ্ৰেণীকোঠাৰ অৱস্থা জৰাজীৰ্ণ, বিদ্যুতৰ সুবিধা অপৰ্যাপ্ত, বিশুদ্ধ পানীৰ উৎসৰ অভাৱ আৰু শৌচাগাৰৰ সুবিধা নোহোৱাৰ বাবে শিক্ষাৰ পৰিৱেশ প্ৰতিকূল হৈ পৰে। এই সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰে বিনিয়োগ বৃদ্ধিৰ লগতে স্থানীয় সম্প্ৰদায়ৰ সহযোগিতা গ্ৰহণ কৰিব লাগিব। প্ৰতিখন বিদ্যালয়ত পৰিষ্কাৰ শ্ৰেণীকোঠা, বিদ্যুতৰ নিৰবচ্ছিন্ন যোগান, বিশুদ্ধ পানীৰ সুবিধা আৰু শৌচাগাৰৰ ব্যৱস্থা নিশ্চিত কৰাটো অতি জৰুৰী। এই মৌলিক সুবিধাসমূহৰ উপলব্ধতাই ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ পৰিৱেশ উন্নত কৰাৰ লগতে তেওঁলোকৰ উপস্থিতি আৰু শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব। তদুপৰি, আধুনিক শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ভূমিকা অপৰিহাৰ্য হৈ পৰিছে। ডিজিটেল শিক্ষাৰ প্ৰসাৰৰ লগে লগে চৰকাৰী বিদ্যালয়সমূহত কম্পিউটাৰ পৰীক্ষাগাৰ, ইণ্টাৰনেট সংযোগ আৰু স্মাৰ্ট শ্ৰেণীকোঠাৰ সুবিধা স্থাপন কৰাটো অতি প্ৰয়োজনীয়। এই সুবিধাসমূহে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে আৰু তেওঁলোকক বিশ্বৰ আন প্ৰান্তৰ শিক্ষাৰ্থীৰ সৈতে প্ৰতিযোগিতাৰ ক্ষেত্ৰত সমতা আনিব পাৰে। কিন্তু কেৱল আন্তঃগাঁথনি স্থাপন কৰিলেই যথেষ্ট নহয়। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰযুক্তিৰ ব্যৱহাৰৰ দক্ষতা গঢ়ি তুলিবলৈ নিয়মীয়া প্ৰশিক্ষণৰ প্ৰয়োজন। গ্ৰাম্য আৰু নগৰীয়া অঞ্চলৰ মাজত থকা আন্তঃগাঁথনিগত বৈষম্য দূৰ কৰাৰ বাবেও বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এই দিশত অগ্ৰগতিৰ জৰিয়তে চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষাৰ পৰিৱেশ অধিক আকৰ্ষণীয় আৰু ফলপ্ৰসূ হ'ব, যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ফলাফল উন্নত হ'ব। আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত স্থানীয় সম্পদৰ সঠিক ব্যৱহাৰ আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ জৰিয়তে শিক্ষাৰ গুণগত মানৰ এক স্থায়ী উন্নতি সম্ভৱ হ'ব। এই প্ৰচেষ্টাৰ ফলত চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ অধিক শক্তিশালী আৰু প্ৰগতিশীল হ'ব পাৰে।

শিক্ষকৰ ভূমিকা শিক্ষা ব্যৱস্থাৰ এক অপৰিহাৰ্য অংশ। শিক্ষকসকল কেৱল পাঠ্যপুথিৰ জ্ঞান প্ৰদানকাৰীয়েই নহয়, তেওঁলোক ছাত্ৰ-ছাত্ৰীৰ পথ প্ৰদৰ্শক, প্ৰেৰণাদাতা আৰু তেওঁলোকৰ জীৱন গঢ় দিয়াৰ মূল খনিকৰ। শিক্ষকৰ দক্ষতা, নিষ্ঠা আৰু শিক্ষণৰ প্ৰতি আগ্ৰহৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ফলাফল নিৰ্ভৰ কৰে; কিন্তু বহু চৰকাৰী বিদ্যালয়ত শিক্ষকৰ অভাৱ, পৰ্যাপ্ত প্ৰশিক্ষণৰ অভাৱ আৰু কামৰ পৰিৱেশৰ অসুবিধাৰ বাবে শিক্ষাৰ মানৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিছে। শিক্ষকৰ নিয়োগ প্ৰক্ৰিয়াত স্বচ্ছতা আৰু যোগ্যতাৰ ভিত্তিত নিয়োগৰ ব্যৱস্থা কৰাটো অতি জৰুৰী। এই প্ৰক্ৰিয়াই শিক্ষকৰ গুণগত মান বৃদ্ধি কৰাত সহায় কৰিব। ইয়াৰ উপৰি শিক্ষকসকলক নিয়মীয়া প্ৰশিক্ষণৰ জৰিয়তে আধুনিক শিক্ষাদান পদ্ধতি, প্ৰযুক্তিৰ ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশৰ প্ৰতি গুৰুত্ব আৰু শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ দক্ষতা প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগিব। শিক্ষকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত স্থানীয় পৰিস্থিতি আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি প্ৰশিক্ষণৰ কাৰ্যসূচী প্ৰণয়ন কৰা উচিত। শিক্ষকৰ মৰ্যাদা আৰু সামাজিক সন্মান বৃদ্ধিৰ বাবেও পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন। উপযুক্ত পুৰস্কাৰ আৰু স্বীকৃতিৰ ব্যৱস্থাৰ জৰিয়তে শিক্ষকৰ প্ৰেৰণা বৃদ্ধি কৰা সম্ভৱ। এই পেছাটোক অধিক আকৰ্ষণীয় কৰি তুলিলে যোগ্য আৰু উৎসাহী লোকসকল এই ক্ষেত্ৰলৈ আকৰ্ষিত হ'ব। শিক্ষকৰ কামৰ পৰিৱেশ উন্নত কৰাৰ বাবেও বিশেষ গুৰুত্ব দিয়া উচিত। শিক্ষকৰ বাবে পৰ্যাপ্ত আৰামৰ সুবিধা, শিক্ষণ সামগ্ৰীৰ যোগান আৰু কামৰ চাপ হ্ৰাস কৰাৰ ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ কাৰ্যক্ষমতা বৃদ্ধি পাব। যদি চৰকাৰী বিদ্যালয়সমূহে দক্ষ আৰু প্ৰশিক্ষিত শিক্ষকৰ সৈতে শিক্ষা প্ৰদান কৰিব পাৰে, তেন্তে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ফলাফল উন্নত হ'ব আৰু তেওঁলোকৰ ভৱিষ্যতৰ সম্ভাৱনা বৃদ্ধি পাব। শিক্ষকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত স্থানীয় ভাষা, সংস্কৃতি আৰু সমাজৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি প্ৰশিক্ষণৰ কাৰ্যসূচী প্ৰণয়ন কৰাৰ প্ৰয়োজন। এই প্ৰচেষ্টাৰ ফলত শিক্ষকসকল অধিক কাৰ্যকৰী হৈ উঠিব আৰু চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষাৰ গুণগত মানৰ এক স্থায়ী উন্নতি সম্ভৱ হ'ব।

পাঠ্যক্ৰমৰ আধুনিকীকৰণ অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ গঢ়ি তোলাৰ এক মূল দিশ। বৰ্তমানৰ পাঠ্যক্ৰম বহু সময়ত পৰম্পৰাগত আৰু পৰীক্ষামুখী হৈ থাকে, যিয়ে ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতা, সমালোচনাত্মক চিন্তাশক্তি আৰু ব্যৱহাৰিক দক্ষতাৰ বিকাশত বাধাৰ সৃষ্টি কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ জৰিয়তে এই দিশত কিছু পৰিৱৰ্তনৰ প্ৰচেষ্টা আৰম্ভ হৈছে। এই নীতিয়ে দক্ষতাভিত্তিক শিক্ষা, ব্যৱহাৰিক জ্ঞান আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অসমৰ চৰকাৰী বিদ্যালয়সমূহত এই নীতিৰ ৰূপায়ণৰ জৰিয়তে পাঠ্যক্ৰমত স্থানীয় সংস্কৃতি, ইতিহাস, পৰিৱেশ আৰু সমাজৰ সৈতে সম্পৰ্কিত বিষয়সমূহ সন্নিৱিষ্ট কৰাৰ প্ৰয়োজন। এনে পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ মনত নিজৰ পৰিচয়ৰ প্ৰতি গৌৰৱৰ ভাব জাগ্ৰত কৰিব আৰু তেওঁলোকৰ স্থানীয় শিপাৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰিব। একে সময়তে পাঠ্যক্ৰমত বিজ্ঞান, প্ৰযুক্তি, কলা, ক্ৰীড়া আৰু বৃত্তিমুখী শিক্ষাৰ সন্নিবেশ ঘটোৱাৰ প্ৰয়োজন। এই ধৰণৰ পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীক কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে নহয়, জীৱনৰ প্ৰকৃত প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰিব। পাঠ্যক্ৰমৰ আধুনিকীকৰণৰ ক্ষেত্ৰত শিক্ষকৰ প্ৰশিক্ষণ আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি পাঠ্যক্ৰম প্ৰণয়ন কৰাৰ প্ৰয়োজন। পাঠ্যক্ৰমৰ তালিকা এনেদৰে কৰা উচিত যাতে ই ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতা আৰু কৌতূহলক উদ্দীপিত কৰে। তদুপৰি, পাঠ্যক্ৰমত স্থানীয় সম্পদৰ ব্যৱহাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক ক্ষমতাৰ ওপৰত গুৰুত্ব দিয়া উচিত। এই পৰিৱৰ্তনৰ জৰিয়তে পাঠ্যক্ৰম অধিক জীৱনমুখী আৰু প্ৰাসংগিক হৈ উঠিব, যাৰ ■ ১০ পৃষ্ঠাত

সংস্কৃতি

বিশ্বজিৎ তাঁতী

সংস্কৃতি মানে জীৱনৰ ৰং,
ঐতিহ্যৰে ভৰা এখন সুৰংগ।
মানুহৰ সপোন, আশা আকাংক্ষা,
সমাজেৰে গঢ়ে অমূল্য দিশা।

প্রজন্মেৰে প্রজন্মে বয়ানেৰে গৈ,
পৰম্পৰা আগু�ৱাই ভৱিষ্যত লৈ।
ভাষা সাহিত্য, গান-নৃত্যৰে ভৰা,
সংস্কৃতিৰে জীৱন হৈ উজৰা।

অঞ্চল ভেদে বৈচিত্রৰ শোভা,
প্রকৃতিৰ মাজত মতে হৃদয়া।
সংস্কৃতি মানে সমাজৰ আত্মা।
ইয়ে জনাই আমাৰ পৰিচয়-পৰিচয়তা।

হুমুনিয়াহ

বনজিত দাস

আকাশত আঁকিম বুলি
বুকুৰ জঠৰতাৰ বন্যতা
লিখিলো শূন্যতা
ওপঙি থকা টোকোৰা বাহ
ঘেঘেৰে আৱৰা দুখৰ সঁফুৰা।

ৰ'দে পোৰা বালিৰ তৰালি
বালিত জিলিকা হাঁহি
ওচৰত গ'লেই
দেখাতো পাব এখন মৰিশালি
মোৰেতু নদী।

ৰিক্ততাৰ পথাৰতো
দেখা অলেখ ভাবৰ বুৰবুৰণি
সৌন্দর্যৰ ইপাৰ সিপাৰ
উদং হুমুনিয়াহ খিনি
বুকুত অঁকা ছবি।

নীড়মুখী পখীৰ ঠোঁটত গুজি
অৱকাশৰ কলিজাটো
ক'ত দিম ৰৈ
পৃথিৰীৰ ব... ক্ষ... দি উৰি।

হাঁচতি

ৰশ্মি ৰেখা দুৱৰা

কঁকালৰ খোঁচনিত গুজি থোৱা
এটা টোপোলা
কাপোৰেৰে নুৰিয়াই থোৱা
কি হয় জানিবলৈ বৰ হেঁপাহ।
টোপোলাটো খুলি খাই
দুই ওঁঠ ৰঙা কৰি থয়
এমোকোৱা নির্ভেজাল হাঁহিৰে
মোৰ দুগালত দুচুমা আঁকি
ৰঙেৰে বুলাই।
সেই ৰং খুন্দা তামোলৰ
গালত ৰং লাগিলে
খঙৰ সলনি মৰম লাগে
আইতা যে অতি মৰমৰ।
দুয়োপাৰি দাঁত নোহোৱাৰ বাবে
খুন্দনাত তামোল খুন্দি খায়
আইতাৰ টোপোলা খুলি
খুন্দা তামোলৰ সোৱাদ লোৱাটো
আমাৰ বাবে আমোদৰ খেল।
এতিয়া সেই সোৱাদ নাই
আইতা গুচি গক্সল
অজান দেশলৈ
উভতি নহাৰ বাটেৰে!
এদিন বাটত আইতা এগৰাকী দেখি
একেথৰে ৰ' লাগি চালো
সাইলাখ আমাৰ আইতাৰ দৰেই
কঁকালৰ খোঁচনিৰ টোপোলাটো
খুলিবলৈ দৌৰি গ'লো
হঠাৎ মনত পৰিল
আইতা গুচি যোৱা যে বহুবছৰে হ'ল।



বসন্তৰ পৰশ

ৰীমা গায়ন বৰা

ৰিমঝিম ৰিমঝিম এজাক বৰষুণ
ডাৱৰৰ ওৰণি টানি নামিছে ধৰাত,
নৱ পল্লৱৰ পাতনিৰে
অসমীয়া নৱবর্ষ ব'হাগ!
ডেউকা দুখন মেলি ঘৰমূৱা পখীৰ জাক
কলৰৱত মুখৰিত বসন্তৰ গান।
ন কুঁহিপাত ওলায় প্রকৃতি শুৱনি
চিৰসেউজ ধৰণী ধুনীয়া হৈ
ফলে-ফুলে জাতিষ্কাৰ
ন আভৰণ পিন্ধি আই ধৰিত্রী
সাজনে-কাচনে ৰূপৱতী
নাহৰ, তগৰ, কৈতেকী, কপৌ
নানান সুগন্ধি ফুলৰ সমাহাৰ
কুলি, কেতেকীৰ হিয়া ভঙা বিননিত
বসন্তৰ আগমনত প্রেমৰ সংগীত,
সুৰ এটি ভাঁহি আহে দূৰণিৰ পৰা
বসন্তৰ ব'হাগী আহিল ধৰাত
বাজি উঠিছে সুললিত কণ্ঠত
এফাঁকি বিহু গীতৰ কলি
আওৰাইছে ভিন্ন ভাষাৰ
হৃদয়স্পর্শী সংগীতৰ তান।



নিজৰ লগত খন্তেক

মেৰী বৰদলৈ

নীলাবোৰ দুচকুৰ কোণত
সামৰিলো
ভালপাওঁ ভালপাওঁ বুলি
চিঞৰা হৃদয়খন
আজি
উচুপি উঠিল...

হেঁপাহৰ ছবিখনলৈ চাই
সুধিলো আজি
মোৰ ভুল হ'ল
নেকি...?

বুকুখনত হাত থৈ
সুধিলো মই
মোৰ বাবেও কোনোবাই
অপেক্ষা কৰে
নেকি...?

হেঁপাহেৰে অংকন কৰা
ছবিখনক
সুধিলো আজি
শেষবাৰলৈ
মোক বাৰু সঁচাকৈয়ে
ভালপোৱানে
তুমি...?

ঘন উশাহটিকো ক'লো
আজি
তেওঁতেই মোৰ উশাহটি
শেষ কৰিবা
বুলি...?

নিজকে সুধিলো মই
বাৰে বাৰে
মই বাৰু কাৰোবাৰ
বিশ্বাসী হ'ব
পাৰিলোনে
আজি...?

এনেকৈয়ে পাৰ হ'ল
সময়বোৰ আজি আবেলি
নিজকে প্রশ্ন
কৰি কৰি...
নাজানো কাইলৈ বা
কি...!

প্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশ আৰু ভয়াবহ নিবনুৱা সমস্যাৰ স্থায়ী নিৰাময়। যোৱা কাৰ্যকালত চৰকাৰখনে এক লাখৰো অধিক চৰকাৰী চাকৰিৰ প্ৰতিশ্ৰুতি পূ�ৰণ কৰি সমগ্ৰ দেশৰ ভিতৰতে এক নিদৰ্শন দাঙি ধৰিছিল। এই সচ্ছ নিযুক্তি প্ৰক্ৰিয়া সমগ্ৰ ৰাজ্যজুৰি প্ৰশংসিত হৈছে; কিন্তু বাস্তৱিকতে কেৱল চৰকাৰী চাকৰিয়ে এখন ৰাজ্যৰ বৰ্ধিত নিবনুৱা সমস্যাৰ স্থায়ী সমাধান দিব নোৱাৰে। প্ৰতি বছৰে হাজাৰ হাজাৰ শিক্ষিত যুৱক-যুৱতীয়ে ডিগ্ৰী লাভ কৰি কৰ্মসংস্থাপনৰ সন্ধানত নামি পৰে। সেয়েহে, নতুন চৰকাৰখনে ৰাজ্যত এক সুদৃঢ় ঔদ্যোগিক পৰিৱেশ গঢ়ি তোলাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব।

নতুন চৰকাৰলৈ সচেতন নাগৰিকৰ আহ্বান

চন্দন কুমাৰ নাথ

অসম বিধানসভাৰ শেহতীয়া নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটে (NDA) ১২৬ খন আসনৰ ভিতৰত ১০২ খন আসন লাভ কৰি এক বৃহৎ আৰু ঐতিহাসিক বিজয় সাব্যস্ত কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত এই তৃতীয়টো কাৰ্যকালৰ বাবে সাজু হোৱা চৰকাৰখনে অসমৰ ৰাজনৈতিক ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। যোৱা ৬ মে' তাৰিখে ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰি পৰৱৰ্তী নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ যি খবৰ প্ৰকাশ পাইছে, সেয়া সমগ্ৰ ৰাজ্যবাসীৰ বাবে এক নতুন আশাৰ সঞ্চাৰ কৰিছে। ১১ মে'ৰ পাছত শপত গ্ৰহণ কৰিবলগীয়া এই নতুন চৰকাৰখনৰ প্ৰতি অসমৰ জনসাধাৰণৰ আশা আৰু আকাংক্ষা আকাশলংঘী। একপ্ৰকাৰ বিৰোধীহীন বিধানসভা এখনত, য'ত কংগ্ৰেছে মাত্ৰ ১৯ খন আসনহে লাভ কৰিবলৈ সক্ষম হৈছে, তাত ড° শৰ্মাৰ চৰকাৰৰ ওপৰত দায়িত্ব আৰু কৰ্তব্যৰ বোজা পূৰ্বতকৈ বহুগুণে বৃদ্ধি পাইছে। এগৰাকী সচেতন নাগৰিক তথা বিশ্লেষক হিচাপে, এই বিশাল জনাদেশৰ পটভূমিত নতুন চৰকাৰখনৰ ওচৰত অসমখনক প্ৰকৃতাৰ্থত উন্নতিৰ শিখৰলৈ লৈ যোৱাৰ বাবে কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আৰু অনুৰোধ আগবঢ়োৱাটো সময়ৰ দাবী বুলি অনুভৱ কৰিছো।

প্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশ আৰু ভয়াবহ নিবনুৱা সমস্যাৰ স্থায়ী নিৰাময়। যোৱা কাৰ্যকালত চৰকাৰখনে এক লাখৰো অধিক চৰকাৰী চাকৰিৰ প্ৰতিশ্ৰুতি পূৰণ কৰি সমগ্ৰ দেশৰ ভিতৰতে এক নিদৰ্শন দাঙি ধৰিছিল। এই সচ্ছ নিযুক্তি প্ৰক্ৰিয়া সমগ্ৰ ৰাজ্যজুৰি প্ৰশংসিত হৈছে; কিন্তু বাস্তৱিকতে কেৱল চৰকাৰী চাকৰিয়ে এখন ৰাজ্যৰ বৰ্ধিত নিবনুৱা সমস্যাৰ স্থায়ী সমাধান দিব নোৱাৰে। প্ৰতি বছৰে হাজাৰ হাজাৰ শিক্ষিত যুৱক-যুৱতীয়ে ডিগ্ৰী লাভ কৰি কৰ্মসংস্থাপনৰ সন্ধানত নামি পৰে। সেয়েহে, নতুন চৰকাৰখনে ৰাজ্যত এক সুদৃঢ় ঔদ্যোগিক পৰিৱেশ গঢ়ি তোলাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। অসমত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (MSME) খণ্ডৰ প্ৰসাৰৰ বাবে এক সুচল আৰু ব্যৱসায়-অনুকূল পৰিৱেশ নিশ্চিত কৰিব লাগিব যাতে দেশী-বিদেশী বিনিয়োগকাৰীসকলে অসমলৈ আহিবলৈ আগ্ৰহ প্ৰকাশ কৰে। ৰাজ্যৰ যুৱপ্ৰজন্মৰ মাজত ষ্টাৰ্ট-আপ সংস্কৃতি গঢ়ি তোলাৰ বাবে চৰকাৰে মূলধনী সাহায্য আৰু কাৰিকৰী পৰামৰ্শৰ এক সুচল ব্যৱস্থা কৰিবলৈ আমি অনুৰোধ জনাইছো। ইয়াৰ উপৰি তথ্য-প্ৰযুক্তি খণ্ড, কৃত্ৰিম বুদ্ধিমত্তা (AI), পৰ্যটন আৰু পৰিৱেশ-অনুকূল উদ্যোগৰ জৰিয়তে লাখ লাখ যুৱক-যুৱতীক ব্যক্তিগত খণ্ডত কৰ্মসংস্থাপন দিয়াৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীক বিশেষভাৱে আহ্বান জনোৱা হ'ল। অসমৰ উন্নয়নৰ বাটত আটাইতকৈ ডাঙৰ হেঙাৰ হৈছে প্ৰতি বছৰে হোৱা বানপানী আৰু খহনীয়াৰ সমস্যা, যিয়ে ৰাজ্যখনৰ অৰ্থনীতিক কঁকাল ভাঙি দিয়ে। প্ৰতিটো বাৰিষা অসমৰ কৃষিখণ্ড, আন্তঃগাঁথনি আৰু জনজীৱনলৈ যি দুৰ্যোগ নামি আহে, সেয়া ৰোধ কৰিবলৈ এতিয়া পৰম্পৰাগত মথাউৰি নিৰ্মাণৰ সলনি আধুনিক আৰু বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰাৰ প্ৰয়োজন আহি পৰিছে। কেৱল সাহায্য বিতৰণ বা দুৰ্যোগ ব্যৱস্থাপনাই এই সমস্যাৰ অন্ত পেলাব নোৱাৰে। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে ইয়াৰ প্ৰধান উপনৈসমূহৰ বিজ্ঞানসন্মত খনন, সুপৰিকল্পিত জল ব্যৱস্থাপনা, আৰু চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি বান নিয়ন্ত্ৰণৰ এক দীৰ্ঘম্যাদী আৰু স্থায়ী সমাধান উলিয়াবলৈ নতুন চৰকাৰখনে কেন্দ্ৰৰ সৈতে মিলি দৃঢ় পদক্ষেপ ল'ব বুলি ৰাইজে আশা কৰে। বানপানীৰ ফলত সৰ্বস্বান্ত হোৱা কৃষকসকলক উচিত ক্ষতিপূৰণ প্ৰদানৰ লগতে বানপানীৰ পিছৰ কৃষি-কৰ্মৰ বাবে উন্নত সা-সুবিধা, বীজ আৰু ঋণ প্ৰদানৰ ব্যৱস্থাও চৰকাৰৰ অগ্ৰাধিকাৰৰ তালিকাত থকাটো বাঞ্ছনীয়। শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ সৰ্বাংগীণ সবলীকৰণ অবিহনে কোনো এখন ৰাজ্যই প্ৰকৃত প্ৰগতিত উপনীত হ'ব নোৱাৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ সফল ৰূপায়ণৰ জৰিয়তে অসমৰ শৈক্ষিক ব্যৱস্থাক বিশ্বমানৰ কৰি তোলাৰ দিশত চৰকাৰখনে নতুন কাৰ্যকালত অধিক মনোযোগ দিব লাগিব। কেৱল আন্তঃগাঁথনিৰ উন্নয়নেই নহয়, বৰঞ্চ গুণগত শিক্ষা, ডিজিটেল শ্ৰেণীকোঠা আৰু কাৰিকৰী শিক্ষাৰ প্ৰসাৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক গোলকীয় প্ৰতিযোগিতাৰ বাবে সাজু কৰি তুলিবলৈ অনুৰোধ জনোৱা হ'ল। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত গৱেষণা আৰু বিকাশৰ পৰিৱেশ গঢ়ি তোলাটো অত্যন্ত জৰুৰী। ঠিক তেনেদৰে, স্বাস্থ্য খণ্ডত ৰাজ্যখনে যোৱা কেইবছৰমানত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ জৰিয়তে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে যদিও, একেবাৰে ভিতৰুৱা গ্ৰামাঞ্চলৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰসমূহৰ অৱস্থা এতিয়াও উন্নত কৰাৰ থল আছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় বা আন ডাঙৰ চহৰৰ চিকিৎসালয়সমূহৰ ওপৰত জনসাধাৰণৰ নিৰ্ভৰশীলতা কমাবলৈ প্ৰতিখন জিলাতে অত্যাধুনিক সা-সুবিধা সম্পন্ন চিকিৎসালয় আৰু পৰ্যাপ্ত বিশেষজ্ঞ চিকিৎসক তথা নাৰ্চৰ নিৰৱচ্ছিন্ন উপস্থিতি নিশ্চিত কৰিবলৈ আমি নতুন চৰকাৰখনলৈ আহ্বান জনাইছো। অসমৰ অৰ্থনীতি মূলতঃ কৃষিনিৰ্ভৰ হোৱাৰ বাবে কৃষিখণ্ডৰ আধুনিকীকৰণ অবিহনে ৰাজ্যখনৰ সৰ্বাংগীণ বিকাশ কেতিয়াও সম্ভৱ নহয়। ৰাজ্যৰ কৃষকসকলে যাতে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত আৰু প্ৰতিযোগিতামূলক মূল্য লাভ কৰে, তাৰ বাবে প্ৰতিখন জিলাতে পৰ্যাপ্ত পৰিমাণৰ শীতল ভঁৰাল (Cold Storage) স্থাপন আৰু সুসংগঠিত বজাৰ ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়োজন। অসমৰ চাহ উদ্যোগ বৰ্তমান উৎপাদন ব্যয় বৃদ্ধি আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বিভিন্ন সংকটৰ সন্মুখীন হৈছে। বিশেষকৈ ৰাজ্যৰ লাখ লাখ ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যাসমূহ দূৰ কৰাৰ বাবে চৰকাৰে এক সুনিৰ্দিষ্ট নীতি গ্ৰহণ কৰিব লাগিব। ইয়াৰ লগতে, ৰেচম শিল্প, মৎস্য পালন, পশুপালন, দুগ্ধ উৎপাদন আৰু জৈৰিক কৃষি আদি আনুষংগিক ক্ষেত্ৰসমূহতো বিজ্ঞানসন্মত প্ৰণালীৰে উৎপাদন বৃদ্ধিৰ বাবে চৰকাৰে কৃষকসকলক প্ৰশিক্ষণ আৰু বজাৰ সংযোগৰ সুবিধা প্ৰদান কৰিব বুলি আশা ৰখা হ'ল। অসমৰ থলুৱা সামগ্ৰীসমূহৰ ভৌগোলিক সূচাংক (GI Tag) লাভ কৰাৰ পাছত সেইবোৰৰ আন্তঃৰাষ্ট্ৰীয় ৰপ্তানি বৃদ্ধিৰ বাবে চৰকাৰে এক সুকীয়া টাস্ক ফ'ৰ্চ গঠন কৰিব পাৰে।

উন্নয়নৰ এই যাত্ৰাত সমাজৰ প্ৰতিটো শ্ৰেণীৰ সুৰক্ষা আৰু সৱলীকৰণ নিশ্চিত হোৱাটো প্ৰয়োজন। নাৰী সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ 'অৰুণোদয়'ৰ দৰে অভিলাষী আঁচনিয়ে সমাজৰ এক বৃহৎ অংশক আৰ্থিক সকাহ দিছে যদিও, মহিলাসকলক প্ৰকৃত অৰ্থত অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ বাবে আত্মসহায়ক গোটসমূহক কেৱল ঋণ প্ৰদানতে আৱদ্ধ নাৰাখি তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ এক নিৰ্দিষ্ট বজাৰ সৃষ্টি কৰাৰ প্ৰয়োজন আছে। আনহাতে, ৰাজ্যখনৰ আইন-শৃংখলা জনিত পৰিস্থিতি অধিক উন্নত কৰা, নাৰীজনিত অপৰাধ নিৰ্মূল কৰা আৰু ড্ৰাগছৰ বিৰুদ্ধে ড° শৰ্মাৰ চৰকাৰে চলাই অহা কঠোৰ অভিযান ইয়াতকৈয়ো অধিক তীব্ৰতৰ কৰাৰ বাবে চৰকাৰক অনুৰোধ জনোৱা হ'ল। অসম হৈছে বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম আৰু ভাষা-ভাষী লোকৰ মিলনভূমি। সেয়েহে, সকলো সম্প্ৰদায়ৰ মাজত ভাতৃত্ববোধ আৰু সম্প্ৰীতি অটুট ৰাখি, থলুৱা অধিকাৰ সুৰক্ষিত কৰি এক সমন্বয়ৰ বাৰ্তাৰে অসমক এক শক্তিশালী আৰু শান্তিপূৰ্ণ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ দায়িত্ব এতিয়া নতুন চৰকাৰখনৰ কান্ধত।

নতুন চৰকাৰখনৰ প্ৰতি আমাৰ সৰিনয় অনুৰোধ এয়াই যে শাসনৰ এই নতুন যাত্ৰাত ৰাইজে যি বিপুল আস্থা আৰু বিশ্বাস প্ৰদৰ্শন কৰিলে, তাৰ প্ৰতি চৰম সন্মান জনাই চৰকাৰে এখন দুৰ্নীতিমুক্ত, সচ্ছ আৰু দায়বদ্ধ প্ৰশাসন অসমবাসীক উপহাৰ দিয়ক। ড° শৰ্মাৰ দুৰ্দৰ্শী নেতৃত্বত অসমে ইতিমধ্যে আন্তঃগাঁথনি বিকাশৰ পৰা আৰম্ভ কৰি ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰলৈকে বহু দিশত ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰিছে। ২০২৬ চনৰ নিৰ্বাচনী যুঁজৰ এই বৃহৎ জনাদেশ কেৱল ক্ষমতাৰ প্ৰতীক নহয়, ই হৈছে অসমৰ জনসাধাৰণৰ আৱেগ, সপোন আৰু হেঁপাহৰ জীৱন্ত নিদৰ্শন। এই নতুন আৰম্ভণিয়ে অসমক দেশৰ শীৰ্ষ পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত স্থান দিয়াৰ যি সপোন মুখ্যমন্ত্ৰীগৰাকীয়ে দেখিছে, সেয়া বাস্তৱায়িত কৰিবলৈ চৰকাৰৰ প্ৰতিটো বিভাগে নিষ্ঠা আৰু সততাৰে কাম কৰিব বুলি আমি গভীৰভাৱে আশাবাদী। জনসাধাৰণৰ প্ৰকৃত সমস্যাসমূহক নিবিড়ভাৱে অনুভৱ কৰি, বাস্তৱসন্মত আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰে অসমক উন্নয়নৰ নৱতম শিখৰলৈ আগুৱাই লৈ যোৱাৰ যাত্ৰাত এই নতুন চৰকাৰখন সৰ্বাংগীনভাৱে সফল হওঁক তাৰেই আন্তৰিক শুভকামনা জ্ঞাপন কৰিলো। ■

জাতীয় মঞ্চত জিলিকিল অসমীয়া চুটি ছবি 'অগ্নিস্নাতা'

সকলো গুৰুত্বপূর্ণ কাহিনীৰ দৰে আৰম্ভ হৈছিল নিৰৱে, কোনো ঘোষণা অবিহনে। মিতব্যয়িতাৰে নির্মিত; কিন্তু অটল বিশ্বাসেৰে সৃষ্ট, ২৫ মিনিটৰ এখন চুটি ছবিয়ে অসমীয়া চলচ্চিত্রই বহুদিনৰে পৰা বাট চাই থকা কামটো কৰি দেখুৱালে-ভ্রমণ কৰিলে, প্রতিযোগিতাত অৱতীর্ণ হ'ল আৰু জয়ী হ'ল। স্মিতা বর্মনৰ দ্বাৰা পৰিচালিত আৰু ডাঃ ভূপেন্দ্র প্রসাদ শর্মাৰ দ্বাৰা প্রযোজিত অগ্নিস্নাতা নামৰ চুটি ছবিখনে ইণ্ডিয়ান পেনোৰামা আন্তর্জাতিক চলচ্চিত্র মহোৎসৱ ২০২৫-২৬ত শ্রেষ্ঠ অনুপ্রেৰণামূলক চুটি ছবি (মানৱীয় সাহস, আঞ্চলিক) বিভাগত বটা লাভকৰিছে; লগতে নতুন দিল্লীত অনুষ্ঠিত ষোড়শ দাদা চাহেব ফাল্কে ফিল্ম ফেষ্টিভেলত চার্টিফিকেট অব এক্সিলেন্স লাভ কৰিছে। ডাঃ ভূপেন্দ্র প্রসাদ শর্মাৰ চুটিগল্প সংকলন মন বি�ৰণাৰ জুইৰ 'অগ্নিদগ্ধা' নামৰ গল্পটোৰ অধাৰত চিত্রনাট্য ৰচনা কৰিছে প্রভাত গোস্বামী, নিমানন্দ দাস আৰু পৰিচালিকা স্মিতা বর্মনে নিজেই মূল গল্পৰ আবেগিক আৰু বিষয়গত সাৰবস্তুক ভিত্তি হিচাপে লৈ। সাহিত্যৰ পৰা চলচ্চিত্রলৈ এই সহযোগিতামূলক পৰিক্রমা প্রতিটো দৃশ্যতে স্পষ্ট ছবিখন নিখুত, উদ্দেশ্যমূলক আৰু নিজে বহন কৰা ভাৰৰ সন্মুখত নির্ভীক।

অগ্নিস্নাতাৰ মূলতে আছে সামাজিক সচেতনতাৰ এক শক্তিশালী দলিল, যিটো নাটকৰ ছদ্মবেশত উপস্থাপিত। ছবিখনে অগ্নিদগ্ধৰোগীৰ সংকটক কেন্দ্র কৰি কেইবাটাও গুৰুত্বপূর্ণ প্রশ্ন উত্থাপন কৰিছে তেওঁলোকে কেনেকৈ জীয়াই থাকে, চিকিৎসা লাভ কৰিবলৈ কি সমস্যাৰ সন্মুখীন হয় আৰু সচেতনতাৰ অভাবে কেনেকৈ প্রকৃত মানৱীয় মূল্য আদায় কৰে। ছবিখনৰ প্রযোজক ডাঃ শর্মাই ইয়াৰ অন্তৰালত থকা জৰুৰী সামাজিক প্রয়োজনীতাৰ কথাও উল্লেখ কৰিছে। যি দেশত অগ্নিদগ্ধজনিত আঘাত এতিয়াও কলংকিত আৰু কম প্রতিবেদিত, তাত চলচ্চিত্রই সচেতনতা বহন কৰিব পাৰে এনে ঠাইলৈ, যত নীতি আৰু প্রচাৰ পত্রই কেতিয়াবাহে ঢুকি পায়। অগ্নিদগ্ধ ৰোগীৰ লগত জড়িত কিছু মানৱীয় প্রশ্নৰ উত্তৰ দিয়াত ছবিখনৰ ভূমিকা প্রনিধানযোগ্য।

ছবিখনত অভিনয় কৰিছে ভ্রান্তি মেধি, হিমাদ্রি দেৱী, পংকজ মহন্ত, ডাঃ ভূপেন্দ্র প্রসাদ শর্মা, অনামিকা শর্মা বৰদলৈ, শেৱালী নেওগ, অনিতা চক্রৱর্তী, প্রাঞ্জল প্রতীম কলিতা, ডাঃ দীপক শর্মা, ডাঃ কবিতা চাংমা চৌধুৰী, ডাঃ অপৰাজিত বর্মন, তৃষ্ণা কলিতা, ডেইজি নাথ, সৃষ্টি শর্মা, জেচিমা বেগম, পুতুলী কলিতা, ললিতা বুংবেন, বুদ্ধি ভট্টৰয় আৰু ৰজনী ৰংপিয়ে।

ছবিখনৰ চিত্রগ্রহণ কৰিছে প্রবীন বসুমতাৰীয়ে, সহযোগী ধীৰাজ, ৰূপসজ্জা বাবলু ৰাজৰ, সহকাৰী নিতুল ঠেংগাল, প্রযোজনা সহকাৰী অভিজিত শইকীয়া, ডাবিং পপী মহন্ত, সম্পাদনা মৃণ্ময় অনামিক ফুকন আৰু ধ্রুৱজ্যোতি বৰা, ভিএফএক্স অভিজিত সন্দিকৈ, গ্রাফিক্স ৰাহুল আমিন, শব্দ ৰূপাংকৰণ আৰু মিশ্রণ ভূপেশ শইকীয়া, আৰহ সংগীত ভূপেশ শইকীয়া আৰু দেবজিত ব্রহ্ম, শীর্ষ গীতৰ শিল্পী শতৰূপা দেৱী, গীতিকাৰ ভূপেশ শইকীয়া, সহকাৰী পৰিচালক প্রাণজিত প্রীতম কলিতা। ছবিখন নির্মানত বিশেষ সহযোগিতা আগবঢ়াইছে ডাঃ হিতেশ বৰুৱাই।

ছবিখনৰ পৰিচালিকা স্মিতা বর্মনে অগ্নিদগ্ধ আঘাতৰ চিকিৎসাগত, সামাজিক আৰু পাৰিবাৰিক জটিলতাক সৰলীকৰণ নকৰি, সহানুভুতি, সংবেদনশীলতা আৰু স্পষ্টতাবে উপস্থাপন কৰিছে। ছবিখনে ইতিমধ্যে লাভ কৰা বঁটাসমূহে ইয়াৰ শিল্পগত আৰু সামাজিক মূল্যবোধৰ স্বীকৃতি প্রদান কৰিছে। ডাঃ ভূপেন্দ্র প্রসাদ শর্মাৰ বাবে লেখক, প্রযোজক আৰু অভিনেতা এই স্বীকৃতিয়ে এক বৃত্ত সম্পূর্ণ কৰে, যাৰ আৰম্ভ হৈছিল শব্দেৰে কোৱা এটা কাহিনীৰ পৰা। সেই একে কাহিনীয়ে এতিয়া পোহৰ আৰু শব্দৰ মাধ্যমেৰে কথা কয় আৰু দেশৰ অন্যতম চলচ্চিত্র মাধ্যমক মান্যতা প্রদান কৰা মঞ্চত যথাযোগ্য স্বীকৃতিৰে গৌৰৱান্বিত হয়।

খামেনেই ক্ষমতালৈ অহাৰ সময়ত ইৰান এখন যুদ্ধবিধ্বস্ত, অর্থনৈতিকভাৰে দুর্বল আৰু ৰাজনৈতিকভাৰে অস্থিৰ দেশ আছিল। ইৰান-ইৰাক যুদ্ধৰ আঘাত তেতিয়াও সজীৰ হৈয়েই আছিল। তেনে সময়তে তেওঁ দেশখনৰ সর্বোচ্চ নেতাৰ দায়িত্ব গ্রহণ কৰিলে। শাসনৰ আৰম্ভণিতে বহুতে ভাবিছিল যে তেওঁ হয়তো এজন মধ্যমপন্থী ধর্মীয় নেতা হ'ব। কিন্তু সময় বাঢ়ি অহাৰ লগে লগে তেওঁ নিজৰ হাতত প্রচণ্ড ক্ষমতা কেন্দ্রীভূত কৰিলে। ইৰানৰ সংবিধান অনুসৰি সর্বোচ্চ নেতাজন কেৱল ধর্মীয় পথপ্রদর্শক নহয়, তেওঁ সেনা, ন্যায় ব্যৱস্থা, সংবাদ মাধ্যম আৰু নির্বাচিত চৰকাৰৰ ওপৰতো গভীৰ প্রভাৱ বিস্তাৰ কৰে। খামেনেই সেই ক্ষমতাক সম্পূর্ণৰূপে ব্যৱহাৰ কৰিলে। ৰাষ্ট্রপতি যিয়েই নহওক, শেষ সিদ্ধান্ত সদায় তেওঁৰ হাততেই আছিল।

ম'বাইলৰ গ্রাসত যুৱপ্রজন্ম

এছ. টি. ৰাৰিছা আজমি

সাম্প্রতিক সময়ত মই লক্ষ্য কৰিছো যে আমাৰ যুৱপ্রজন্ম এক অলক্ষিত মানসিক মহাব্যাধিৰ দিশে ধাৱমান হৈছে। অধিকাংশ পৰিয়ালতে শিশুসকলক এক কৃত্রিম, যান্ত্রিক আৱেষ্টনীৰ মাজত ডাঙৰ-দীঘল হোৱাৰ পৰিৱেশহে প্রদান কৰা হৈছে। ইয়াৰেই সবাতোকৈ বিপদসংকুল উপাদানবিধ হৈছে ম'বাইল ফোন। শিশুৰ মগজু আৰু ব্যক্তিত্ব বিকাশৰ মূল সময়ছোৱাতেই তেওঁলোকক আৱদ্ধ কৰি পেলোৱা হৈছে চলভাষৰ পর্দাত।

শিশু অৱস্থাত মগজুৰ বিকাশৰ গতি অতি দ্রুত হয়। বিশেষকৈ জীৱনৰ প্রথম পাঁচটা বছৰত মগজুৰ ছাইনেপছ অতি ক্ষিপ্রতাৰে গঢ়ি উঠে। এই বিকাশ বাহ্যিক জগতখনৰ ত্রিমাত্রিক অভিজ্ঞতা, স্পর্শ, শব্দ আৰু পাৰস্পৰিক সামাজিক ক্রিয়া-প্রতিক্রিয়াৰ ওপৰত নির্ভৰশীল; কিন্তু যেতিয়া এটি শিশুৱে দিনটোৰ অধিকাংশ সময় ম'বাইলৰ দ্বিমাত্রিক স্ক্রীণ এখনত চকু নিবদ্ধ কৰি কটায়, তেতিয়া মগজুৰ প্রাকৃতিক উত্তৰণ স্তব্ধ হৈ পৰে। ইয়াৰ ফলত শিশুৰ 'কগনিটিভ স্কিল' মন্থৰ হয়। যিবোৰ শিশুৱে দুই বছৰ বয়সৰ আগতেই ম'বাইলৰ স্ক্রীণৰ সংস্পর্শলৈ আহে, তেওঁলোকৰ ক্ষেত্রত 'স্পীচ ডিলে' বা কথা কোৱাত পলম হোৱাৰ প্রৱণতা বহুগুণে বৃদ্ধি পাই বুলি বিশ্ব স্বাস্থ্য সংস্থা আৰু 'আমেৰিকান একাডেমী অৱ পেডিয়াট্রি'-এ তথ্য দাঙি ধৰিছে। এই সমস্যাটোৰ অন্তৰালৰ জৈৱ-ৰাসায়নিক প্রক্রিয়াটো হৈছে 'ডোপামিন' নামৰ হৰম'নবিধৰ ক্ষৰণ। ম'বাইল এপ্লিকেচন, চুটি ভিডিঅ', ৰীলবোৰ এনেদৰে প্রস্তুত কৰা হয় যাতে প্রতি ছেকেণ্ডত সলনি হোৱা দৃশ্য আৰু শব্দই মগজুত তাৎক্ষণিক আনন্দ বা 'ইনষ্টেণ্ট গ্রেটিফিকেচন'ৰ সৃষ্টি কৰে। ই মগজুত প্রচুৰ পৰিমাণে ডোপামিন হৰম'ন নিঃসৰণ কৰে। ফলত শিশুটি অতি কম বয়সতে এক গভীৰ আসক্তিত আক্রান্ত হয়। এই কৃত্রিম উদ্দীপনাত অভ্যস্ত মগজুৱে পৰৱর্তী সময়ত বাস্তৱ পৃথিৱীৰ সুস্থিৰ আৰু ধীৰ গতিৰ প্রতি অসহিষ্ণু হৈ পৰে। ইয়াৰ পোনপটীয়া প্রভাৱ পৰে শিশুৰ মনোযোগ ক্ষমতাৰ ওপৰত। তেওঁলোকে কিতাপ পঢ়া, শ্রেণীকোঠাৰ পাঠ গ্রহণ কৰা বা যিকোনো গভীৰ চিন্তামূলক কামত অধিক সময়ৰ বাবে মনোনিৱেশ কৰিবলৈ নোৱাৰা হয়। ইয়াকেই 'ডিজিটেল ডেমেনচিয়া' বোলে। এইবোৰৰ পৰিণতিতেই তেওঁলোক মানসিক অৱসাদ, সামাজিক ভীতি আৰু একাকীত্বৰ চিকাৰ হয়। ইয়াৰ শাৰীৰিক পৰিণতিও সুদূৰপ্রসাৰী। ম'বাইলৰ নীলা পোহৰে মগজুৰ 'মেলাটোনিন' নামৰ টোপনিৰ বাবে দায়ী হৰম'নবিধৰ প্রাকৃতিক চক্র ব্যাহত কৰে। ফলত অনিদ্রা, মূৰৰ বিষ আৰু মেদবহুলতা শিশুসকলৰ মাজত প্রায়েই দেখা দিয়ে।

এই আসক্তিৰ বাবে মই পিতৃ-মাতৃসকলকহে অধিক জগৰীয়া কৰিম। নিজৰ ব্যস্ততাৰ অজুহাতত নতুবা কর্তব্যৰ পৰা সহজতে হাত সাৰিবলৈ শিশুৰ হাতত তেওঁলোকে ম'বাইল তুলি দিয়ে। ভাত খুৱাবলৈ নোৱাৰিলে ম'বাইল, কান্দিলে শান্ত কৰাবলৈ ম'বাইল, বাহিৰলৈ খেলিবলৈ যাবলৈ খুজিলে ম'বাইল। মুঠতে সকলোতে ম'বাইল। অভিভাৱকৰ এই সাময়িক স্বাচ্ছন্দ্যই সন্তানৰ সুদূৰ-প্রসাৰী ক্ষতিহে কৰিছে। শিশুৰ বাবে প্রকৃতি আৰু সমাজেই হৈছে শিক্ষক। সহপাঠীৰ সৈতে খেলা-ধূলা কৰিলে শিশুৰ মাজত সহযোগিতা, সহনশীলতা আৰু নেতৃত্ব ল'ব পৰা গুণ গঢ়ি উঠে; কিন্তু ম'বাইলৰ নির্জন জগতখনে শিশুক আত্মকেন্দ্রিক, সমজুৰা কামত পিছপৰা এজন আত্মবিশ্বাস নথকা মানুহ হিচাপেহে গঢ়ি তোলে। এখন সমাজ কেৱল ওখ ওখ অট্টালিকা, অত্যাধুনিক যন্ত্র আদিৰে জীয়াই নাথাকে। সমাজ জীয়াই থাকে মানুহৰ বিবেক, চিন্তা আৰু মানৱীয় প্রমূল্যৰ দ্বাৰাহে। গতিকে আমাৰ যুৱপ্রজন্মক ডিজিটেল দাসত্বৰ গৰাহৰ পৰা উলিয়াই অনাৰ বাবে সকলোৱে সহযোগিতা আগবঢ়োৱা উচিত। ঘৰত পিতৃ-মাতৃয়ে প্রথমতে নিজৰো ম'বাইলৰ ব্যৱহাৰ সীমিত কৰিবলৈ লাগিব। কাৰণ শিশুৱে সদায় ঘৰখনৰ মানুহক অনুকৰণ কৰিহে শিকে। ঘৰত কিতাপ পঢ়াৰ, কথা পতাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। সন্তানক সৰু সৰু সামাজিক কামত নিয়োজিত কৰিবলৈ লাগিব। সমনীয়াৰ লগত খেলিবলৈ সামান্য স্বাধীনতা দিব লাগিব। গতিকে এতিয়া এই সিদ্ধান্ত সমাজৰ অগ্রজসকলৰ যে তেওঁলোকে নিজৰ ব্যস্ততাৰ বাবে এটা জাতিক যান্ত্রিক পংগুত্বৰ পিনে যাবলৈ দিব নে সচেতনতাৰে নিজৰ গুৰু দায়িত্ব পালন কৰি সন্তানক এক উজ্জ্বল ভৱিষ্যতৰ পিনে লৈ যাব। সমাজৰ জ্যেষ্ঠজনৰ মৰম আৰু সাহসেই সদায় এক বলিষ্ঠ প্রজন্মৰ ভেঁটি গঢ়ি তোলে।



সময়ৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল-সুযোগ। জীৱনত সুযোগ একেবাৰে হঠাতে আহে আৰু সঠিক সময়ত সিদ্ধান্ত ল'ব নোৱাৰিলে সেই সুযোগ হেৰাই যায়। যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন, তেন্তে হয়তো আমি সেই সুযোগবোৰ আঁকোৱালি ল'বলৈ চেষ্টা কৰিলোহেঁতেন। কিন্তু এই উপলব্ধিয়ে আমাক এতিয়া সজাগ কৰি তোলে। 'যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন' এই চিন্তাটো আমাক জীৱনৰ গভীৰতা বুজিবলৈ সহায় কৰে। ই আমাক শিকায় যে অতীতৰ বাবে অনুতাপ কৰাতকৈ বৰ্তমানত সজাগভাৱে জীয়াই থকাটো বেছি প্ৰয়োজনীয়। জীৱনৰ প্ৰতিটো মুহূৰ্ত মূল্যবান— এই উপলব্ধি থাকিলে আমি অধিক সচেতনভাৱে সিদ্ধান্ত ল'ব পাৰো আৰু জীৱনটোক সুন্দৰ কৰি তুলিব পাৰো।

যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন

ডলী ফুকন

মানুহৰ জীৱনত সময়েই আটাইতকৈ মূল্যবান সম্পদ। ধন-সম্পত্তি, সন্মান বা যিকোনো বস্তু হেৰুৱালে পুনৰ লাভ কৰিব পৰা যায়; কিন্তু সময় এবাৰ গ'লেই চিৰদিনৰ বাবে গ'ল। সেইবাবেই কেতিয়াবা মনত এক গভীৰ চিন্তা জাগে-যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন! এই কল্পনাই মানুহক এক অদ্ভুত অনুভৱ দিয়ে, য'ত আছে আফচোচ, আশা, স্মৃতি আৰু নতুনকৈ আৰম্ভ কৰাৰ এক অদম্য আকাংক্ষা।

যদি সচাই সময় ঘূৰাই আনিব পাৰিলোহেঁতেন, তেন্তে প্ৰথমে আমি নিজৰ জীৱনৰ ভুলবোৰ শুধৰাব বিচাৰিলো হয়। জীৱনত আমি বহু ভুল কৰো কেতিয়াবা অজানিতে, কেতিয়াবা অৱহেলাত। কিছুমান ভুলে আমাৰ মনত গভীৰ দাগ এৰি যায়। যদি সেই মুহূৰ্তবোৰলৈ পুনৰ উভতি যাব পাৰিলোহেঁতেন, তেন্তে হয়তো আমি সেই সিদ্ধান্তবোৰ সলনি কৰিলো, কিছুমান কথা নক'লোহেঁতেন, কিছুমান কাম ভালদৰে কৰিলোহেঁতেন। এই চিন্তাই আমাক বুজায় যে সময়ৰ প্ৰতিটো মুহূৰ্ত কিমান গুৰুত্বপূৰ্ণ।

ইয়াৰ লগতে, সময় ঘূৰাই অনাৰ আকাংক্ষাৰ সৈতে জড়িত থাকে স্মৃতিৰ মাধুৰ্য। আমাৰ জীৱনত কিছুমান মুহূৰ্ত থাকে, যিবোৰ অতি আনন্দদায়ক-শৈশৱৰ নিৰ্মল দিনবোৰ, বন্ধুৰ সৈতে কটোৱা সময়, পৰিয়ালৰ সৈতে ভাগ-বতৰা কৰা হাঁহি। যদি সময় উভতি আহিলেহেঁতেন, তেন্তে আমি সেইবোৰ মুহূৰ্ত পুনৰ জীয়াই তুলিব বিচাৰিলো। এইবোৰ স্মৃতিয়ে আমাৰ মনত এক মধুৰ বেদনা সৃষ্টি কৰে-যাক ইংৰাজীত 'nostalgia' বুলি কোৱা হয়।

কিন্তু সময় ঘূৰাই অনাটো যদি সম্ভৱ হ'ল হৈ চাগে, তেন্তে ইয়াৰ কিছুমান জটিল দিশো থাকিলেহেঁতেন। যদি আমি অতীত সলনি কৰো, তেন্তে বৰ্তমানো সলনি হ'ব। হয়তো যি ভুলবোৰৰ পৰা আমি শিক্ষা লৈছো, সেইবোৰ নোহোৱা হ'লে আমি আজিৰ দৰে নাথাকিলো হয়। জীৱনৰ বহু অভিজ্ঞতাই আমাক গঢ়ি তোলে। সেয়ে, অতীত সলনি কৰাৰ চেষ্টা কৰিলে হয়তো আমি নিজৰ অস্তিত্বকো সলনি কৰি পেলাম।

আনহাতে, সময় ঘূৰাই অনাৰ কল্পনাই মানুহক এটা গুৰুত্বপূৰ্ণ শিক্ষা দিয়ে-বৰ্তমানৰ মূল্য বুজিবলৈ। যেতিয়া আমি ভাবো যে অতীত ঘূৰাই অনা নাযায়, তেতিয়া আমি বুজো যে এতিয়াৰ মুহূৰ্তটোৱেই আটাইতকৈ মূল্যবান। ভৱিষ্যৎ অনিশ্চিত, অতীত অতীতেই; কিন্তু বৰ্তমান আমাৰ হাতত আছে। সেয়ে, আমি যদি বৰ্তমানটোক সঠিকভাৱে ব্যৱহাৰ কৰো, তেন্তে ভবিষ্যৎটো সুন্দৰ হ'ব পাৰে।

এই বিষয়টো আৰু এটা দিশৰ পৰা চাব পাৰি-সময়ৰ সৈতে মানুহৰ সম্পৰ্ক। সময় কেৱল এটা ঘড়ীৰ কাঁটাৰ গতি নহয়; ই আমাৰ অনুভৱ, স্মৃতি আৰু অভিজ্ঞতাৰ সৈতে জড়িত। কেতিয়াবা এক মিনিটো দীৰ্ঘ অনুভৱ হয়, আৰু কেতিয়াবা এটা বছৰো সৰু লাগে। সেয়ে, সময়ৰ মূল্য কেৱল পৰিমাণত নহয়, গুণগত দিশতো আছে।

যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন, তেন্তে হয়তো আমি অধিক সাৱধান, অধিক মৰমীয়াল আৰু অধিক দায়িত্বশীল হ'লোহেঁতেন। আমি মানুহৰ সৈতে ভাল ব্যৱহাৰ কৰিলোহেঁতেন, সুযোগবোৰ নষ্ট নকৰিলোহেঁতেন আৰু নিজৰ সপোনবোৰ পূৰণ কৰিবলৈ অধিক চেষ্টা কৰিলোহেঁতেন। কিন্তু বাস্তৱতা হ'ল-সময় ঘূৰাই অনা সম্ভৱ নহয়। এই অসম্ভৱতাই আমাক বাস্তৱৰ সৈতে সংযুক্ত কৰি ৰাখে।

শেষত ক'ব পাৰি যে 'যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন' এই চিন্তাটো কেৱল কল্পনা নহয়; ই এক গভীৰ উপলব্ধি। ই আমাক শিকায় যে অতীতৰ বাবে আফচোচ কৰাতকৈ বৰ্তমানত সঠিকভাৱে জীয়াই থকাটো অধিক গুৰুত্বপূৰ্ণ। সময়ক ঘূৰাই অনা নাযায়, কিন্তু সময়ক সঠিকভাৱে ব্যৱহাৰ কৰি আমি আমাৰ জীৱনটো সুন্দৰ কৰি তুলিব পাৰো। সেয়ে, অতীতৰ পৰা শিক্ষা লৈ, বৰ্তমানত মনোনিৱেশ কৰি আৰু ভৱিষ্যতৰ বাবে আশা ৰাখি আগবাঢ়া উচিত— এইয়েই জীৱনৰ সৰ্বশ্ৰেষ্ঠ পথ। যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন, তেন্তে হয়তো আমি কেৱল নিজৰ ভুলবোৰ শুধৰাবলৈ নহয়, বৰঞ্চ আনৰ সৈতে থকা সম্পৰ্কবোৰো নতুনকৈ গঢ়ি তুলিবলৈ চেষ্টা কৰিলোহেঁতেন। জীৱনত বহু সময়ত আমি কিছুমান প্ৰিয় মানুহক আঘাত দিওঁ-কেতিয়াবা কথাৰে, কেতিয়াবা আচৰণেৰে। পিছত আমি তাৰ বাবে দুখ পাওঁ, কিন্তু সেই সময়টো উভতি আহে নে? যদি সেই মুহূৰ্তবোৰ পুনৰ ঘূৰি আহিলেহেঁতেন, তেন্তে হয়তো আমি সাৱধানভাৱে কথা ক'লোহেঁতেন, অধিক মৰমেৰে ব্যৱহাৰ কৰিলোঁহেঁতেন। এই চিন্তাই আমাক বুজায় যে সম্পৰ্কবোৰ কিমান মূল্যবান আৰু সেয়া যত্নেৰে ৰক্ষা কৰা উচিত।

ইয়াৰ উপৰি, সময় ঘূৰাই অনাৰ কল্পনাই আমাক নিজৰ অপূৰণীয় সপোনবোৰৰ কথাও সোঁৱৰায়। জীৱনত বহু সপোন থাকে, যিবোৰ বিভিন্ন কা�ৰণত পূৰণ নহয়-কেতিয়াবা ভয়ৰ বাবে, কেতিয়াবা সুযোগৰ অভাৱত। যদি সময় উভতি আহিলেহেঁতেন, তেন্তে হয়তো আমি সেই সপোনবোৰ পূৰণ কৰিবলৈ সাহস দেখুৱালোহেঁতেন। কিন্তু এই অনুভৱৰ মাজতে এটা গুৰুত্বপূৰ্ণ শিক্ষা লুকাই আছে-যি কামবোৰ আমি এতিয়াও কৰিব পাৰো, সেইবোৰ কিয় পিছু�ৱাই ৰাখিম? সময় উভতি নাহে, কিন্তু আগলৈ যোৱাৰ পথ সদায় খোলা থাকে।

আনহাতে, সময় ঘূৰাই অনাৰ চিন্তাই কেতিয়াবা আমাক অতীতত আৱদ্ধ কৰি ৰাখে। আমি যদি সদায় 'যদি এনেকুৱা হৈছিলহেঁতেন' বুলি ভাবি থাকো, তেন্তে বৰ্তমানৰ সৌন্দৰ্য উপভোগ কৰিব নোৱাৰোঁ। জীৱন সদায় আগলৈ আগবাঢ়ে; ই কেতিয়াও পিছুৱাই নাযায়। সেয়ে অতীতৰ স্মৃতিৰ মাজত থাকি বৰ্তমান নষ্ট কৰাটো বুদ্ধিমত্তাৰ কাম নহয়। বৰঞ্চ অতীতৰ পৰা শিক্ষা লৈ আগবাঢ়াটোয়েই সঠিক পথ।

এই বিষয়টো আন এটা দিশৰ পৰা চালে, সময়ে আমাক সহনশীলতা আৰু গ্ৰহণযোগ্যতা শিকায়। সকলো ঘটনা আমাৰ নিয়ন্ত্ৰণত নাথাকে। কিছুমান কথা আমি সলনি কৰিব নোৱাৰো, যদিও আমি বহুত বিচাৰো। এই সত্যটো মানি লোৱাটো সহজ নহয়; কিন্তু ই মানুহক ভিতৰৰ পৰা শক্তিশালী কৰে। সময়ে ধীৰে ধীৰে সকলো ঘা শুকুৱায়, সকলো দুখ লঘু কৰে আৰু মানুহক আগবাঢ়িবলৈ সহায় কৰে।

সময়ৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল-সুযোগ। জীৱনত সুযোগ একেবাৰে হঠাতে আহে আৰু সঠিক সময়ত সিদ্ধান্ত ল'ব নোৱাৰিলে সেই সুযোগ হেৰাই যায়। যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন, তেন্তে হয়তো আমি সেই সুযোগবোৰ আঁকোৱালি ল'বলৈ চেষ্টা কৰিলোহেঁতেন। কিন্তু এই উপলব্ধিয়ে আমাক এতিয়া সজাগ কৰি তোলে।

'যদি সময় ঘূৰাই আনিব পাৰিলোহেঁতেন' এই চিন্তাটো আমাক জীৱনৰ গভীৰতা বুজিবলৈ সহায় কৰে। ই আমাক শিকায় যে অতীতৰ বাবে অনুতাপ কৰাতকৈ বৰ্তমানত সজাগভাৱে জীয়াই থকাটো বেছি প্ৰয়োজনীয়। জীৱনৰ প্ৰতিটো মুহূৰ্ত মূল্যবান— এই উপলব্ধি থাকিলে আমি অধিক সচেতনভাৱে সিদ্ধান্ত ল'ব পাৰো আৰু জীৱনটোক সুন্দৰ কৰি তুলিব পাৰো।

সেয়ে, সময় উভতি আহিব নোৱাৰে বুলি জানিও আমি হতাশ নহ'ব লাগে। বৰঞ্চ এই সত্যটোক শক্তি হিচাপে লৈ আগবাঢ়া উচিত। অতীতৰ পৰা শিক্ষা, বৰ্তমানত সচেতনতা আৰু ভৱিষ্যতৰ বাবে আশা-এই তিনিটা বস্তুয়ে আমাৰ জীৱনটোক সফল আৰু অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। ■



চতুর্থ পৃষ্ঠাৰ পৰা ঃ —

মানসিক বিকাশজনিত

অস্বস্তি হোৱাত কাৰক হ'ব পাৰে ইয়াক জেদ্ নহয়, হাইপাৰচেন্‌চিটিভ বা হাইপ'চেনচিটিভ্ কোৱা হয়।

বিদ্যালয় আৰু অন্তর্ভুক্তিমূলক শিক্ষা (Inclusive Education) ঃ আজিৰ অটিষ্টিক শিশুৰ অভিভাৱকৰ মুখাৱয়ৱত কেৱল চিন্তা আৰু পৰিতাপ। মুষ্টিমেয় সংখ্যক বিদ্যালয়ত Special Educator (বিশেষভাৱে সক্ষম শিশুৰ শিক্ষক)ৰ নিযুক্তি নিদিয়ে। এখন চৰকাৰী বা বেচৰকাৰী বিদ্যালয়ত এজন Psychologist (মনোবিজ্ঞানী), Psychiatric Social Worker বা Social Worker (মনোৰোগ সমাজ কর্মী বা সমাজ কর্মী) special educatorৰ নিযুক্তি নিতান্তই প্রয়োজনীয় হৈ পৰিছে।

পেছাদাৰী/থেৰাপিষ্টৰ অভূতপূর্ব সহায়ৰ প্রয়োজনীয়তা ঃ অটিজিমৰ ক্ষেত্রত বহুমুখী পেছাদাৰীসকলৰ সহায়ৰ অবিহনে তেওঁ লোকক আগবঢ়াই নিবলৈ প্রায় অসম্ভৱ। বিভিন্ন বিশেষজ্ঞই শিশুৰ বিকাশৰ ক্ষেত্রত সুকীয়া ভূমিকা পালন কৰে।

মনোবিজ্ঞানী ঃ (Psychologist) মনোবিজ্ঞানীয়ে শিশুৰ আচৰণ, অনুভৱ, মনোযোগ আৰু মানসিক বিকাশজনিত দক্ষতা মূল্যায়ন কৰে। Behaviour therapy আৰু Counsellingৰ মাধ্যমে শিশুৰ আৱেগ বা অনুভূতি নিয়ন্ত্রণ উন্নত কৰাত সহায় কৰে।

মনোৰোগ সামাজিক কর্মী ঃ (Psychiatric social worker) (PSW) মনোৰোগ সামাজিক কর্মীয়ে পৰিয়ালক পৰমর্শ দান (Family Counselling), বিদ্যালয়ৰ সৈতে সমন্বয়ক হিচাপে (School Co- ordinator) সমাজত সচেতনতা বৃদ্ধি (Community Awarness) আৰু ৰিহেবিলিটেচন (Rehabilitation)ত সহায় কৰে। অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলক 'অটিজিম'ক গ্রহণ কৰাত এওঁলোকে এক গুৰুত্বপূর্ণ ভূমিকা লয়।

স্পিচ থেৰাপিষ্ট ঃ

(Speech Therapist) সকলৰ অৱদান অতুলনীয়। তেওঁলোকে শিশুৰ যোগাযোগ ক্ষমতা, ভাষাগত বিকাশ আৰু নিজৰ অনুভৱ প্রকাশ কৰাৰ দক্ষতা উন্নত আৰু মুখৰ মাংসপেশী সৱলীকৰণ তথা জিভাৰ ভূমিকা, প্রশিক্ষণ দি সঠিক কৰে।

অকুপেচনেল থেৰাপিষ্ট (Occupational Therapist) ঃ এইসকলে স্নায়ুৰ মাজৰ কথোপকথন, মগজু বিকাশ, ইন্দ্রিয়ৰ সন্তুলন (Sensory Balance), মটৰ দক্ষতা (Gross and Fine), ডাঙৰ আৰু সৰু মাংসপেশীৰ সৱলীকৰণ আৰু দৈনন্দিন জীৱনৰ দক্ষতা উন্নত কৰাত অভূতপূর্ব ভূমিকা প্রদান কৰে।

বিশেষ শিক্ষাবিদ (Special Educator) ঃ Special educator এ শিশুৰ বিকাশৰ ক্ষেত্রত আৰু বিদ্যালয়সমূহত শিশুসকলে যাতে বাকী শিশুসকলৰ লগত সমানে আগবাঢ়ি যাব পাৰে, তাৰ কাৰণে তেওঁৰ অৱদান যথেষ্ট। তেওঁ অটিষ্টিক শিশুসকলৰ পঢ়াৰ লগতে খেলা-ধূলাৰ ক্ষেত্রত তথা অভিভাৱকসকলক 'পেৰেন্ট ইনভলভমেন্ট প্লেন' তথা PIP ৰ ক্ষেত্রতো সহায় কৰিব পাৰেশ্রযোগ আৰু শাৰীৰিক ব্যায়াম যোগ আৰু শাৰীৰিক ব্যায়ামে অটিষ্টিক শিশুৰ ইন্দ্রিয়ৰ সন্তোলন, শৰীৰৰ ভাৰসাম্যতা, মনোযোগ আৰু সামাজিক যোগাযোগক উন্নত কৰাত অভূতপূর্ব ভূমিকা পালন কৰে। ইয়াৰ ভিতৰত ভাড়াসন, বৃক্ষাসন, ভুজঙ্গাসন, নমস্কাৰ, বালাসন, প্রাণায়াম আদিয়ে উৎকণ্ঠা (Anxiety) আৰু আত্ম-নিয়ন্ত্রণত সহায় কৰে। (যোগে কর্মত দক্ষতা আনে)

সামৰণি ঃ অটিজিম এক ভিন্নতা, তেওঁলোকক শুদ্ধ কৰাবলৈ নহয়, তেওঁলোকৰ পৃথিৱীখন বুজিবলৈ চেষ্টা কৰো আহক। আপুনি, মই সকলোৱে শিকালে তেওঁলোকেও শিকিব। তেওঁলোকে দয়া নহয়-মর্যাদা, গ্রহণযোগ্যতা আৰু অন্তর্ভুক্তি দিয়ক।

'বসুদেব কুটুম্বকম'

(সমগ্র পৃথিৱী এক পৰিয়াল)

আহক, আমি সমাজ, চৰকাৰী-বেচৰকাৰী বিদ্যালয়, পৰিয়াল আৰু পেছাদাৰী বিশেষজ্ঞসকলে একেলগে আগবাঢ়ি অটিষ্টিক শিশুৰ আত্মবিশ্বাস, মর্যাদা আৰু সম্ভাৱনাৰে ভৰা এক আত্মনির্ভৰ জীৱন গঢ়াত পূর্ণ সহযোগ আগবঢ়াও।

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ

ফলত ছাত্র-ছাত্রীৰ শিক্ষণৰ অভিজ্ঞতা অধিক সমৃদ্ধ হ'ব। পাঠ্যক্রমৰ আধুনিকীকৰণৰ জৰিয়তে অসমৰ চৰকাৰী বিদ্যালয়সমূহে বিশ্বৰ সৈতে খাপ খুৱাব পৰা শিক্ষা প্রদান কৰিব পাৰিব, যাৰ ফলত ছাত্র-ছাত্রীৰ ভৱিষ্যতৰ সম্ভাৱনা বৃদ্ধি পাব।

অসমৰ চৰকাৰী বিদ্যালয়ত পঢ়া ছাত্র-ছাত্রীসকলৰ অধিকাংশই অর্থনৈতিকভাৱে পিছপৰা পৰিয়ালৰ পৰা আহে। এই কাৰণে তেওঁলোকে শিক্ষাৰ সুবিধা সম্পূর্ণৰূপে পোৱাটো নিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপৰ প্রয়োজন। মধ্যাহ্ন ভোজন, বিনামূলীয়া পাঠ্যপুথি, স্কুলীয়া সাজপাৰ আৰু বৃত্তিৰ দৰে আঁচনিয়ে এই দিশত ইতিবাচক প্রভাৱ পেলাইছে। তথাপি এই আঁচনিসমূহৰ কার্যকাৰিতা বৃদ্ধিৰ বাবে নিয়মীয়া নিৰীক্ষণ আৰু মূল্যায়নৰ ব্যৱস্থা শক্তিশালী কৰিব লাগিব। পিতৃ-মাতৃ আৰু সমাজৰ সৈতে শিক্ষাৰ সংযোগৰ জৰিয়তে ছাত্র-ছাত্রীৰ শিক্ষাৰ প্রতি আগ্রহ বৃদ্ধি কৰিব পাৰি। সমাজৰ সহযোগিতাৰ জৰিয়তে বিদ্যালয়সমূহৰ পৰিৱেশ উন্নত কৰা, শিক্ষকৰ সৈতে পিতৃ-মাতৃৰ নিয়মীয়া বৈঠকৰ আয়োজন কৰা আৰু স্থানীয় সম্পদৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষাৰ গুণগত মান বৃদ্ধি কৰা সম্ভৱ। সমাজৰ সক্রিয় অংশগ্রহণৰ জৰিয়তে বিদ্যালয়সমূহৰ পৰিচালনা আৰু শিক্ষণৰ পৰিৱেশ উন্নত কৰিব পাৰি। অভিভাৱকসকলৰ মাজত শিক্ষাৰ গুৰুত্ব সম্পর্কে সজাগতা সৃষ্টিৰ জৰিয়তে ছাত্র-ছাত্রীৰ নিয়মীয়া উপস্থিতি আৰু শিক্ষণৰ প্রতি আগ্রহ বৃদ্ধি কৰা সম্ভৱ। তদুপৰি, স্থানীয় সম্প্রদায়ৰ সৈতে মিলি বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নতি, শিক্ষণ সামগ্রীৰ যোগান আৰু সাংস্কৃতিক কার্যকলাপৰ আয়োজনৰ জৰিয়তে শিক্ষাৰ পৰিৱেশক অধিক সমৃদ্ধ কৰি তুলিব পাৰি। এই প্রচেষ্টাৰ ফলত চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ অধিক শক্তিশালী আৰু ফলপ্রসূ হ'ব, যাৰ ফলত ছাত্র-ছাত্রীৰ শৈক্ষিক অভিজ্ঞতা উন্নত হ'ব।

প্রযুক্তিৰ সংযোজন আৰু ডিজিটেল শিক্ষাৰ প্রসাৰ অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ গঢ়ি তোলাৰ আন এক গুৰুত্বপূর্ণ দিশ। আধুনিক বিশ্বত শিক্ষাৰ ক্ষেত্রত প্রযুক্তিৰ ভূমিকা অপৰিহার্য হৈ পৰিছে। ডিজিটেল শিক্ষাৰ সুবিধা সম্প্রসাৰণৰ জৰিয়তে ছাত্র-ছাত্রীক বিশ্বৰ আন প্রান্তৰ শিক্ষার্থীৰ সৈতে সমান স্তৰত প্রতিযোগিতাৰ সুযোগ প্রদান কৰা সম্ভৱ। ডিজিটেল ব'র্ড, অনলাইন শিক্ষণ সম্পদ আৰু ভার্চুৱেল শ্রেণীকোঠাৰ ব্যৱহাৰে শিক্ষাৰ পৰিৱেশক অধিক আকর্ষণীয় আৰু ফলপ্রসূ কৰি তুলিব পাৰে। তথাপি গ্রাম্য অঞ্চলৰ বিদ্যালয়সমূহত ইণ্টাৰনেট সংযোগ আৰু বিদ্যুতৰ নিৰবচ্ছিন্ন সুবিধাৰ অভাৱৰ বাবে প্রযুক্তিৰ সুবিধা সম্পূর্ণৰূপে লাভ কৰা সম্ভৱ হোৱা নাই। এই সমস্যা সমাধানৰ বাবে গ্রাম্য অঞ্চলৰ বিদ্যালয়সমূহত ইণ্টাৰনেট সংযোগ আৰু বিদ্যুতৰ সুবিধা নিশ্চিত কৰাৰ বাবে বিশেষ পদক্ষেপ গ্রহণ কৰিব লাগিব। শিক্ষক আৰু ছাত্র-ছাত্রীৰ মাজত ডিজিটেল সাক্ষৰতা বৃদ্ধিৰ বাবে নিয়মীয়া প্রশিক্ষণৰ ব্যৱস্থা কৰাৰ প্রয়োজন। ডিজিটেল শিক্ষাৰ সুবিধা সকলোৱে বাবে সমানে উপলব্ধ হোৱাটো নিশ্চিত কৰিলে চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ অধিক প্রগতিশীল হ'ব। প্রযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে ছাত্র-ছাত্রীৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পাব আৰু তেওঁলোকৰ সৃজনশীলতা, সমস্যা সমাধানৰ দক্ষতা আৰু প্রতিযোগিতামূলক ক্ষমতা উন্নত হ'ব। তদুপৰি, প্রযুক্তিৰ সংযোজনৰ জৰিয়তে শিক্ষকৰ শিক্ষণ পদ্ধতি অধিক গতিশীল আৰু আকর্ষণীয় হৈ উঠিব, যাৰ ফলত শিক্ষাৰ পৰিৱেশ অধিক সমৃদ্ধ হ'ব। এই প্রচেষ্টাৰ ফলত অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ আধুনিক আৰু বিশ্বমানৰ হৈ উঠিব পাৰে।

ৰাজ্য চৰকাৰৰ নীতি আৰু পদক্ষেপ অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ গঢ়ি তোলাৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। শেহতীয়া বছৰবোৰত অসম চৰকাৰে শিক্ষাৰ ক্ষেত্রত বহুকেইটা গুৰুত্বপূর্ণ পদক্ষেপ গ্রহণ কৰিছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ গঠনৰ জৰিয়তে মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ ব্যৱস্থাপনা একত্রিত কৰাৰ প্রচেষ্টা আৰম্ভ হৈছে। এই পৰিষদৰ জৰিয়তে শিক্ষাৰ মানৰ ওপৰত নিৰীক্ষণ আৰু মূল্যায়নৰ ব্যৱস্থা শক্তিশালী কৰা সম্ভৱ হৈছে। সমগ্র শিক্ষা অভিযানৰ জৰিয়তে বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰা, শিক্ষকৰ নিয়োগ, আৰু ছাত্র-ছাত্রীৰ শিক্ষাৰ সুবিধা বৃদ্ধিৰ বাবে বহুকেইটা পদক্ষেপ গ্রহণ কৰা হৈছে। গুণোৎসৱৰ দৰে কার্যসূচী গ্রহণ কৰাৰ লগতে ইয়াৰ জৰিয়তে বিদ্যালয়সমূহৰ সামগ্রিক মান মূল্যায়ন কৰাৰ ব্যৱস্থাও কৰা হৈছে। এই পদক্ষেপসমূহৰ ফলত চৰকাৰী বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশৰ কিছু পৰিমাণে উন্নতি হৈছে। তথাপি এই প্রচেষ্টাসমূহক অধিক কার্যকৰী কৰাৰ বাবে নীতিৰ কার্যকাৰিতা আৰু নিৰীক্ষণৰ ব্যৱস্থা শক্তিশালী কৰাৰ প্রয়োজন। চৰকাৰে শিক্ষাৰ বাজেট বৃদ্ধি কৰি আৰু স্থানীয় পর্যায়ত শিক্ষাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিলে চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ অধিক উজ্জ্বল হ'ব পাৰে। তদুপৰি, চৰকাৰৰ নীতিসমূহ স্থানীয় পৰিস্থিতিৰ সৈতে সংগতি ৰাখি প্রণয়ন কৰাৰ প্রয়োজন। গ্রাম্য অঞ্চলৰ বিদ্যালয়সমূহৰ নির্দিষ্ট প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি নীতি প্রণয়ন কৰিলে শৈক্ষিক বৈষম্য হ্রাস পাব। চৰকাৰৰ নীতিৰ সফল ৰূপায়ণৰ বাবে স্থানীয় পর্যায়ত শিক্ষা বিষয়াৰ সৈতে সমন্বয় সাধন কৰা আৰু তেওঁলোকৰ পৰামর্শ গ্রহণ কৰাৰ প্রয়োজন। এই পদক্ষেপসমূহৰ ফলত চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ অধিক শক্তিশালী আৰু ফলপ্রসূ হ'ব পাৰে।

চৰকাৰী বিদ্যালয়সমূহত জনজাতীয়, পিছপৰা শ্রেণীৰ আৰু অর্থনৈতিকভাৱে দুর্বল পৰিয়ালৰ ছাত্র-ছাত্রীৰ সংখ্যা যথেষ্ট। এই শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে শিক্ষাৰ সুবিধা সমানে উপলব্ধ হোৱাটো নিশ্চিত কৰাৰ দায়িত্ব চৰকাৰৰ। মহিলা শিক্ষাৰ প্রসাৰ, বিশেষভাৱে সক্ষম ছাত্র-ছাত্রীৰ বাবে সুবিধা আৰু জনজাতীয় ভাষাৰ মাধ্যমত শিক্ষাৰ ব্যৱস্থাৰ জৰিয়তে এই সমতাৰ লক্ষ্যত উপনীত হ'ব পাৰি। গ্রাম্য আৰু নগৰীয়া অঞ্চলৰ মাজত থকা শৈক্ষিক বৈষম্য দূৰ কৰাৰ বাবে বিশেষ পদক্ষেপ গ্রহণ কৰাৰ প্রয়োজন। গ্রাম্য অঞ্চলৰ বিদ্যালয়সমূহত অধিক শিক্ষক নিয়োগ, আন্তঃগাঁথনিৰ উন্নতি আৰু প্রযুক্তিৰ সুবিধা সম্প্রসাৰণৰ জৰিয়তে শৈক্ষিক বৈষম্য হ্রাস কৰা সম্ভৱ। তদুপৰি, সমাজৰ পিছপৰা শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে বিশেষ বৃত্তি, শিক্ষণ সামগ্রীৰ যোগান আৰু প্রশিক্ষণৰ ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ সুযোগ বৃদ্ধি কৰাৰ প্রয়োজন। এই পদক্ষেপসমূহৰ ফলত শিক্ষাৰ ক্ষেত্রত সমতা আৰু ন্যায়ৰ ভাবধাৰা প্রতিষ্ঠিত হ'ব, যাৰ ফলত সমাজৰ সকলো শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে শিক্ষাৰ দুৱাৰ মুকলি হ'ব। এই সমতাৰ জৰিয়তে অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ শৈক্ষিক, সামাজিক আৰু অর্থনৈতিক দিশত সমৃদ্ধ হ'ব।

শিক্ষা কেৱল পাঠ্যপুথিৰ জ্ঞানৰ মাজতে সীমাবদ্ধ হৈ থকা উচিত নহয়। ছাত্র-ছাত্রীৰ শাৰীৰিক, মানসিক আৰু নৈতিক বিকাশৰ বাবে বিদ্যালয়সমূহত খেলা-ধূলা, সাংস্কৃতিক কার্যকলাপ, পৰিৱেশ শিক্ষা, স্বাস্থ্য শিক্ষা আৰু জীৱন দক্ষতাৰ শিক্ষাৰ ব্যৱস্থা থাকিব লাগে। এই সকলো দিশৰ সমন্বয়ৰ জৰিয়তে ছাত্র-ছাত্রীক এনে এক ব্যক্তিত্ব হিচাপে গঢ়ি তুলিব পাৰি, যিয়ে সমাজৰ প্রতি ইতিবাচক অৱদান আগবঢ়াব পাৰে। পৰিৱেশ শিক্ষাৰ জৰিয়তে ছাত্র-ছাত্রীৰ মাজত পৰিৱেশৰ প্রতি সচেতনতা সৃষ্টি কৰা সম্ভৱ, যাৰ ফলত তেওঁলোক এখন স্থায়ী ভৱিষ্যৎ গঢ়ি তুলিবলৈ সক্ষম হ'ব। স্বাস্থ্য শিক্ষাৰ জৰিয়তে ছাত্র-ছাত্রীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্রতি গুৰুত্ব দিয়াৰ লগতে তেওঁলোকক সুস্থ জীৱনশৈলীৰ প্রতি উৎসাহিত কৰা সম্ভৱ। জীৱন দক্ষতাৰ শিক্ষাৰ জৰিয়তে ছাত্র-ছাত্রীক সমস্যা সমাধান, সিদ্ধান্ত গ্রহণ আৰু আত্মবিশ্বাসৰ দক্ষতা প্রদান কৰা সম্ভৱ। এই সকলো শিক্ষাৰ সন্নিবেশৰ জৰিয়তে ছাত্র-ছাত্রীক জীৱনৰ প্রকৃত প্রত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্রস্তুত কৰা সম্ভৱ। তদুপৰি, বিদ্যালয়সমূহত সাংস্কৃতিক কার্যকলাপৰ আয়োজনৰ জৰিয়তে ছাত্র-ছাত্রীৰ সৃজনশীলতা আৰু সামাজিক দক্ষতাৰ বিকাশ ঘটোৱা সম্ভৱ। এই সকলো প্রচেষ্টাৰ ফলত অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ কেৱল শৈক্ষিক দিশত নহয়, ছাত্র-ছাত্রীৰ সামগ্রিক বিকাশৰ দিশতো সমৃদ্ধ হ'ব। সামৰণিত অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ ভৱিষ্যৎ গঢ়ি তোলাৰ ক্ষেত্রত বহুমুখী পদক্ষেপৰ প্রয়োজন। আন্তঃগাঁথনিৰ উন্নয়ন, শিক্ষকৰ প্রশিক্ষণ, পাঠ্যক্রমৰ আধুনিকীকৰণ, প্রযুক্তিৰ সংযোজন, সমাজৰ সৈতে শিক্ষাৰ সংযোগ আৰু শিক্ষাৰ সামগ্রিক বিকাশৰ জৰিয়তে এই বিদ্যালয়সমূহৰ ভৱিষ্যতক উজ্জ্বল কৰি তুলিব পাৰি। চৰকাৰৰ নীতি, সমাজৰ সহযোগিতা আৰু শিক্ষক-ছাত্রৰ যৌথ প্রচেষ্টাৰ জৰিয়তে অসমৰ চৰকাৰী বিদ্যালয়সমূহে এক শক্তিশালী আৰু প্রগতিশীল শিক্ষা ব্যৱস্থাৰ মেৰুদণ্ড হৈ উঠিব পাৰে। এই প্রচেষ্টাৰ ফলত অসমৰ নৱপ্রজন্ম জ্ঞান, দক্ষতা আৰু আত্মবিশ্বাসেৰে সমৃদ্ধ হৈ জীৱনৰ প্রত্যাহ্বানৰ সন্মুখীন হ'বলৈ সক্ষম হ'ব। শিক্ষাৰ মাধ্যমেৰে অসমৰ সমাজত সমতা, ন্যায় আৰু প্রগতিৰ ভাবধাৰা প্রতিষ্ঠিত হ'ব, যাৰ ফলত ৰাজ্যখনৰ সামগ্রিক উন্নয়ন সম্ভৱ হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

মহিলাৰ বাবে আসন সংৰক্ষণক

জৰুৰী বুলিও কয়। ইতিমধ্যে মধ্যপ্ৰদেশকে ধৰি এনডিএ শাসিত কেইবাখনো ৰাজ্যত এই বিধেয়কখনত অনুমোদন জনোৱা হৈছে। অসমতো এই বিধেয়কখনত সদনে অনুমোদন জনাব লাগে বুলি মন্ত্ৰী নেওগে উল্লেখ কৰে। উল্লেখ্য যে অসম গণ পৰিষদ আৰু এআইইউডিএফ দলে এই বিধেয়কখনক ইতিমধ্যে সমৰ্থন জনাইছে। অৱশ্যে দেশত সমষ্টি পুনৰ নিৰ্ধাৰণ কৰাৰ বাবে বিজেপিয়ে অনাচৰত আপত্তি দৰ্শাইছে এআইইউডিএফে। ইপিনে, এই বিধেয়কখন সন্দৰ্ভত কংগ্ৰেছ বিধায়ক জয়প্ৰকাশ দাসে কয় যে বিজেপিয়ে যি প্ৰক্ৰিয়াৰে এই বিধেয়কখন আনিছে তাক লৈ আলোচনাৰ প্ৰয়োজন আছে। কংগ্ৰেছে সদায় মহিলাক সন্মান কৰে আৰু দলটোৱে পঞ্চায়ত নিৰ্বাচনত মহিলাক ৫০ শতাংশ আসন এৰি দিছিল বুলিও তেওঁ লগতে কয়। আনহাতে, এই বিধেয়কখনৰ সন্দৰ্ভত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে কয় যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিষয়টোক জড়িত নকৰিলে এই বিধেয়কখনক তেওঁৰ দলে সমৰ্থন কৰিব।

১৭ আগষ্টৰ পৰা ৰাজ্যত গৃহ

হ'ব দ্বিতীয় পৰ্যায়ৰ লোকপিয়ল। যোৱা সোমবাৰে খানাপাৰাত থকা অসম পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয় প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ সৈতে জড়িত বিষয়াসকলৰ এখন ৰাজ্যিক সন্মিলন। অসমৰ মুখ্য সচিব ড° ৰবি কোটাৰ অধ্যক্ষতাত আৰু ভাৰতৰ মহাপৰীক্ষক-লোকপিয়ল আয়ুক্তৰ কাৰ্যালয়, অসম লোকপিয়ল সঞ্চালকালয়, সাধাৰণ প্ৰশাসন বিভাগৰ দ্বাৰা আয়োজিত এই সন্মিলনত ভাৰতৰ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্ত মৃত্যুঞ্জয় কুমাৰ নাৰায়ণ, অসম চৰকাৰৰ জ্যেষ্ঠা বিষয়াসকল, মুখ্য লোকপিয়ল বিষয়া, সকলো জিলাৰ আয়ুক্ত, পৌৰ আয়ুক্তসকল উপস্থিত থাকে। উল্লেখ্য যে প্ৰথম পৰ্যায়ৰ পিয়লত ঘৰৰ অৱস্থা, উপলব্ধ সা-সুবিধা, পৰিয়ালৰ সা-সম্পত্তিৰ সৈতে জড়িত তথ্য সংগ্ৰহ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ সংগ্ৰহ কৰা তথ্যই চৰকাৰক বিভিন্ন আঁচনিৰ পৰিকল্পনা কৰাত সহায় কৰিব। প্ৰথম পৰ্যায়ৰ স্ব-গণনা ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ চৰকাৰী প'ৰ্টেল https://se.census.gov.inৰ জৰিয়তে উপলব্ধ হ'ব। ডিজিটেল ডিভাইছ ব্যৱহাৰ কৰি প্ৰশিক্ষিত গণনাকাৰীৰ দ্বাৰা ঘৰে ঘৰে গৈ এই পিয়লৰ কাম কৰা হ'ব। আনহাতে, ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত জনসংখ্যা গণনা কৰা হ'ব। লোকপিয়লৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে ইতিমধ্যে দুজন ৰাষ্ট্ৰীয় প্ৰশিক্ষক নিৰ্বাচন কৰা হৈছে। অসমত ৫৯ জন মাষ্টাৰ ট্ৰেইনাৰক ৯ জুনৰ পৰা ১২ জুনলৈ প্ৰশিক্ষণ দিয়া হ'ব। অসমত লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ গণনাৰ বাবে প্ৰায় ৮৩,৫৩৫ গণনাকাৰী আৰু পৰ্যবেক্ষক নিয়োগ কৰা হ'ব।

বজালী জিলাৰ সীমা-মেডিকেল

বজালী সমষ্টিৰ মিত্ৰজোঁটৰ অগপৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়ৰ নিৰ্বাচনী প্ৰচাৰ সভালৈ বজালীলৈ আহি বজালী সমষ্টিত এনডিএৰ প্ৰাৰ্থীগৰাকী জয়ী হ'লে বজালীত এখন মেডিকেল কলেজ স্থাপনৰ ঘোষণা কৰিছিল। ইতিমধ্যে বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ক মেডিকেল কলেজ নিৰ্মাণৰ বাবে আৱশ্যকীয় ভূমিৰ স্থান নিৰ্ধাৰণৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে বিধায়কগৰাকীক ইংগিত প্ৰদান কৰাৰ পাছতে যোৱা ২৩ মে'ত অনুষ্ঠিত সভাত মেডিকেল কলেজকে ধৰি বজালী জিলাৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উপস্থিত থাকি বিশিষ্ট অধিবক্তা গিৰিধৰ চৌধুৰীয়ে ভাষণ প্ৰসংগত দীৰ্ঘদিন ধৰি স্বাস্থ্যৰ ক্ষেত্ৰত অতিকে পিছপৰি থকা বজালীত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ বাবে আৰু বজালীৰ সকলো ৰাইজৰে সুবিধা হোৱাকৈ ভূমি নিৰ্ধাৰণৰ পোষকতা কৰি বজালী জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপত থকা ভূমিৰ কথা উল্লেখ কৰে। আনহাতে, বজালী জিলাৰ সীমা শীঘ্ৰে নিৰ্ধাৰণৰ বাবেও স্থানীয় বিধায়কগৰাকীৰ জৰিয়তে দাবী জনায়। সভাত শিক্ষাবিদ ড° বসন্ত কুমাৰ শৰ্মাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ পূৰ্বে কোৱাৰ দৰে বজালীত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ জিলাখনৰ সদৰ পাঠশালাৰ আশে-পাশে হোৱাতো কামনা কৰাৰ লগতে অধুনালুপ্ত বজালী মহাবিদ্যালয়খন ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধীনত পুনৰ স্থাপন কৰাৰ পোষকতা কৰি এইক্ষেত্ৰত পাঠশালা বজাৰ সমিতিক দায়িত্ব ল'বলৈ আহ্বান জনায়। সভাত বজালী জিলা বিজেপিৰ সভাপতি মুকুট কলিতাই বজালীৰ চিকিৎসা ক্ষেত্ৰখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত সকলোৰে সুবিধা হোৱাকৈ স্থাপন কৰাৰ বাবে মতপোষণ কৰে। আনহাতে, সমগ্ৰ বজালীৰ উন্নয়নৰ বাবে সামগ্ৰিক উন্নয়নৰ পোষকতা কৰে। সভাত অসম গণ পৰিষদৰ বজালী বিধান পৰিষদৰ সভাপতি জিন্টু চৌধুৰী, ছাত্ৰ নেতা সমুদ্ৰ পাটগিৰী, বিশিষ্ট শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, মুৰাৰী মোহন দত্ত, পাঠশালা চেম্বাৰ্চ অব কমাৰ্চৰ সভাপতি মদন ৰয়, পাঠশালা ৰাস মহোৎসৱৰ সভাপতি ভূপেন শৰ্মা আদিকে ধৰি কেইবাগৰাকীও বক্তাই বজালী জিলাৰ সীমা নিৰ্ধাৰণ, বজালীত সকলোৰে বাবে সুবিধা হোৱাকৈ মেডিকেল কলেজৰ বাবে উপযুক্ত স্থানৰ লগতে জিলাখনৰ বিভিন্ন সমস্যা অৱগত কৰি সমাধানৰ বাবে নৱনিৰ্বাচিত বিধায়কগৰাকীক ব্যৱস্থা ল'বলৈ আহ্বান জনায়। নাগৰিক সভাত বজালী জিলাত শীঘ্ৰে মেডিকেল কলেজখন অতি শীঘ্ৰে নিৰ্মাণৰ আহ্বান জনাই বিধায়ক ধৰ্মেশ্বৰ ৰয়ৰ নেতৃত্বত এখন সমিতি গঠন কৰি সেই সমিতিখনে মুখ্যমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰা আদিকে ধৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

গুৱাহাটীৰ পিয়াৰলেছ হাস্পতালত মুকলি যকৃত-জিআই ছুপাৰ-স্পেচিয়েলিটি ক্লিনিক

গুৱাহাটী ঃ অসম তথা উত্তৰ-পূব ভাৰতত জটিল যকৃত, অগ্ন্যাশয়, পিত্তনলী আৰু গেষ্ট্ৰ'ইণ্টেষ্টাইনেল ৰোগৰ বিশেষজ্ঞভিত্তিক পৰামৰ্শ তথা চিকিৎসা সেৱা আগবঢ়োৱাৰ লক্ষ্যৰে গুৱাহাটীৰ পিয়াৰলেছ হাস্পতালত মুকলি কৰা হৈছে এক অত্যাধুনিক যকৃত আৰু গেষ্ট্ৰ'ইণ্টেষ্টাইনেল (জিআই) ছুপাৰ-স্পেচিয়েলিটি ক্লিনিক। এই ক্লিনিকখনত যকৃতৰ ৰোগ, যকৃতৰ কৰ্কট ৰোগ, পিত্তথলীৰ কৰ্কট ৰোগ, অগ্ন্যাশয়ৰ ৰোগ, পিত্তনলীৰ কৰ্কট ৰোগ, পাকস্থলী আৰু খাদ্যনলীৰ কৰ্কট ৰোগ, ক'ল'ৰেক্টেল কৰ্কট ৰোগসহ জটিল গেষ্ট্ৰ'ইণ্টেষ্টাইনেল আৰু হেপাট'-পেনক্ৰিয়াট'-বিলিয়াৰী (এইছপিবি) ৰোগৰ বাবে বিশেষজ্ঞৰ পৰামৰ্শ তথা চিকিৎসা সেৱা আগবঢ়োৱা হ'ব। ইয়াৰোপৰি, সূক্ষ্ম অস্ত্ৰোপচাৰসহ উন্নত জি আই আৰু এইচ পি বি অস্ত্ৰোপচাৰৰ প্ৰয়োজন হোৱা ৰোগীসকলকো এই ক্লিনিকত যাৱতীয় সহায় আগবঢ়োৱা হ'ব। লক্ষ্যণীয় যে, এই নতুন ক্লিনিকখনৰ মূল্য উদ্দেশ্য হৈছে অঞ্চলটোৰ ৰোগীসকলক একেবাৰে ওচৰতে উন্নত পৰামৰ্শ, ৰোগ নিৰ্ণয় আৰু চিকিৎসা পৰিকল্পনাৰ সুফল প্ৰদান কৰা। ইয়াৰ ফলত উন্নত যকৃত আৰু জি আই চিকিৎসাৰ বাবে ৰোগীসকলে অসমৰ বাহিৰলৈ যাবলগীয়া হোৱাৰ প্ৰয়োজনীয়তা বহু পৰিমাণে হ্ৰাস পাব। এই সমগ্ৰ চিকিৎসা প্ৰক্ৰিয়াৰ নেতৃত্ব দিব কলকাতাৰ পিয়াৰলেছ হাস্পতালৰ জ্যেষ্ঠ বিশেষজ্ঞ চিকিৎসক তথা হেপাট'-পেনক্ৰিয়াট'-বিলিয়াৰী আৰু যকৃত প্ৰতিস্থাপন বিশেষজ্ঞ ডাঃ সুদীপ বেনাৰ্জীয়ে। উন্নত এইচ পি বি অস্ত্ৰোপচাৰ, যকৃত প্ৰতিস্থাপন, সূক্ষ্ম অস্ত্ৰোপচাৰ আৰু ৰ'ব'টিক জি আই পদ্ধতিত তেওঁৰ সুদীৰ্ঘ অভিজ্ঞতা আছে। উল্লেখ্য যে ডাঃ সুদীপ বেনাৰ্জীয়ে বৰ্তমানলৈকে ৩ হাজাৰতকৈও অধিক জি আই অস্ত্ৰোপচাৰ আৰু ২ হাজাৰতকৈও অধিক এইচ পি বি তথা অগ্ন্যাশয় সম্পৰ্কীয় অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন কৰিছে। ইয়াৰ পূৰ্বে তেওঁ কলকাতাৰ টাটা কেন্সাৰ হাস্পতালৰ গেষ্ট্ৰ'ইণ্টেষ্টাইনেল আৰু এইচ পি বি অস্ত্ৰোপচাৰ বিভাগৰ মুৰব্বী হিচাপে দায়িত্ব পালন কৰিছিল। লেপাৰ'স্ক'পিক আৰু ৰ'ব'টিক অস্ত্ৰোপচাৰ সেৱাৰো সফল নেতৃত্ব দিছিল তেওঁ। যোৱা ২৫ মে'ত গুৱাহাটীৰ পিয়াৰলেছ হাস্পতালত আয়োজিত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে হাস্পতালখনৰ গ্ৰুপ চিকিৎসা সঞ্চালক ডাঃ ডি পি ছাম্মাদাৰ, গুৱাহাটীৰ পিয়াৰলেছ হাস্পতালৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ গৌতম কুমাৰ দাস আৰু গুৱাহাটীৰ পিয়াৰলেছ হাস্পতালৰ চিকিৎসা অধীক্ষক তথা জৰুৰীকালীন বিভাগৰ সঞ্চালক ডাঃ প্ৰণৱ বৰুৱা। এই বিশেষ অনুষ্ঠানত হাস্পতাল কৰ্তৃপক্ষই উন্নত যকৃত আৰু জি আই চিকিৎসা সেৱা অধিক সহজলভ্য কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ডাঃ সুদীপ বেনাৰ্জী হৈছে ছিংগাপুৰৰ নেচনেল ইউনিভাৰ্চিটি হাস্পতালৰ এইচ পি বি আৰু যকৃত প্ৰতিস্থাপন বিভাগৰ এগৰাকী ক্লিনিকেল ফেল'। ইয়াৰোপৰি, দক্ষিণ কোৰিয়াৰ ছিউলস্থিত আছান মেডিকেল চেন্টাৰত তেওঁ ভিজিটিং ফেল' হিচাপে যুক্ত হৈ থকাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফিলাডেলফিয়াৰ থমাছ জেফাৰচন ইউনিভাৰ্চিটি হাস্পতালত অগ্ন্যাশয় আৰু সংশ্লিষ্ট কৰ্কট ৰোগৰ চিকিৎসা ক্ষেত্ৰতো ভিজিটিং ফেল' হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। গুৱাহাটীৰ পিয়াৰলেছ হাস্পতালৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ গৌতম কুমাৰ দাসে এই পদক্ষেপ সন্দৰ্ভত কয়, "গুৱাহাটীৰ পিয়াৰলেছ হাস্পতালত ডাঃ সুদীপ বেনাৰ্জীৰ এই ক্লিনিক মুকলি হোৱাৰ ফলত আমি ৰোগীসকলক অধিক বিস্তৃত তথা সুলভ মূল্যত চিকিৎসা সেৱা আগবঢ়াবলৈ সক্ষম হ'ম। উন্নত এইচ পি বি আৰু জি আই চিকিৎসাৰ বাবে ৰোগীসকলে এতিয়াৰে পৰা অসমৰ বাহিৰলৈ যাব নালাগে। ইয়াৰ ফলত ৰোগীসকলৰ চিকিৎসা সম্পৰ্কীয় অতিৰিক্ত ব্যয় বহু পৰিমাণে হ্ৰাস পাব আৰু নিজৰ ৰাজ্যতে উন্নত চিকিৎসাৰ সুবিধা লাভ কৰাটো সহজ হৈ পৰিব।" গুৱাহাটীত ছুপাৰ-স্পেচিয়েলিটি সেৱা অধিক শক্তিশালী কৰা আৰু অসম তথা সমগ্ৰ উত্তৰ-পূব ভাৰতৰ ৰোগীসকলৰ বাবে উন্নত চিকিৎসা সহজলভ্য কৰি তুলিবলৈ এই উদ্যোগ গ্ৰহণ কৰা হৈছে বুলি হাস্পতাল কৰ্তৃপক্ষই জানিবলৈ দিয়ে। ইয়াৰ উপৰি, এই চিকিৎসা সেৱাত চৰকাৰী স্বাস্থ্য আঁচনিসমূহৰ সুবিধাও প্ৰযোজ্য হ'ব। নিৰ্ধাৰিত নিয়ম অনুসৰি যোগ্য আঁচনিৰ কাৰ্ডধাৰীসকলে এই চিকিৎসা সহায়ৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। কলকাতাৰ পিয়াৰলেছ হাস্পতালৰ জ্যেষ্ঠ বিশেষজ্ঞ চিকিৎসক তথা হেপাট'-পেনক্ৰিয়াট'-বিলিয়াৰী (এইচপিবি), গেষ্ট্ৰ'ইণ্টেষ্টাইনেল চাৰ্জাৰী আৰু যকৃত প্ৰতিস্থাপন বিশেষজ্ঞ ডাঃ সুদীপ বেনাৰ্জীয়ে কয়, "যকৃত, অগ্ন্যাশয় আৰু গেষ্ট্ৰ'ইণ্টেষ্টাইনেল ৰোগৰ সফল চিকিৎসাৰ বাবে প্ৰাথমিক পৰ্যায়তে ৰোগ ধৰা পৰাটো অত্যন্ত জৰুৰী। এই ধৰণৰ বহু ৰোগ দীৰ্ঘদিন ধৰি শৰীৰত নীৰৱে বৃদ্ধি পাই থাকে। ফলত বহু ৰোগী চিকিৎসকমুখী হয় তেতিয়াহে, যেতিয়া ৰোগটো বহুখিনি জটিল বা অগ্ৰসৰ পৰ্যায়ত উপনীত হয়। সজাগতা বৃদ্ধি, সঠিক সময়ত ৰোগ নিৰ্ণয় আৰু উপযুক্ত ৰোগ ব্যৱস্থাপনাই চিকিৎসাৰ ফলাফল উল্লেখনীয়ভাৱে উন্নত কৰিব পাৰে। জটিল জি আই আৰু এইচ পি বি ৰোগৰ বহু ক্ষেত্ৰত অস্ত্ৰোপচাৰ হৈছে চিকিৎসাৰ এক অত্যন্ত গুৰুত্বপূৰ্ণ অংশ, বিশেষকৈ যেতিয়া ৰোগ এনে এক পৰ্যায়ত ধৰা পৰে য'ত নিৰাময়মূলক বা উন্নত অস্ত্ৰোপচাৰৰ সুযোগ থাকে। পিয়াৰলেছ হাস্পতালৰ জৰিয়তে আমি এতিয়া গুৱাহাটী তথা সমগ্ৰ উত্তৰ-পূব ভাৰতৰ ৰোগীসকলৰ বাবে এই বিশেষজ্ঞ দক্ষতা, উন্নত চিকিৎসা পৰামৰ্শ আৰু সমন্বিত সেৱা অতি সহজে আগবঢ়াব পৰা হৈছো।" হাস্পতাল কৰ্তৃপক্ষই এই সন্দৰ্ভত কয় যে অসম তথা উত্তৰ-পূব ভাৰতৰ ৰোগীসকলৰ ওচৰলৈ উন্নত ছুপাৰ-স্পেচিয়েলিটি চিকিৎসা সেৱা অধিক সহজলভ্য কৰি তোলাৰ এক বৃহৎ পৰিকল্পনাৰ অংশ হিচাপেহে এই নতুন ক্লিনিকখন মুকলি কৰা হৈছে। কলকাতাৰ পিয়াৰলেছ হাস্পতালৰ চিকিৎসা সঞ্চালক ডাঃ ডি পি ছাম্মাদাৰে কয়, "স্বাস্থ্য সেৱা সদায় সহজলভ্য, সময়োপযোগী আৰু বিশেষজ্ঞভিত্তিক হোৱা উচিত। এই নতুন উদ্যোগৰ জৰিয়তে আমি অসম তথা উত্তৰ-পূব ভাৰতৰ জনসাধাৰণৰ তেনেই ওচৰলৈ উন্নত জি আই আৰু যকৃত চিকিৎসাৰ বিশেষজ্ঞ সেৱা লৈ আহিবলৈ সক্ষম হৈছো। ইয়াৰ ফলত ৰোগীসকলে এতিয়াৰে পৰা নিজৰ অঞ্চলতে বিশ্বমানৰ চিকিৎসা পৰামৰ্শ আৰু উন্নত চিকিৎসা পদ্ধতিৰ সুফল লাভ কৰিবলৈ সক্ষম হ'ব।" পিয়াৰলেছ হাস্পতাল উন্নত চিকিৎসা সেৱাৰ সম্প্ৰসাৰণ আৰু বিশেষজ্ঞৰ নেতৃত্বত চলা স্বাস্থ্যঞ্জয় সমাধানসমূহ সম্প্ৰদায়ৰ ওচৰলৈ লৈ যোৱাৰ প্ৰতিশ্ৰুতিৰ প্ৰতি সদায় প্ৰতিশ্ৰুতিবদ্ধ।

যাতায়াত ব্যৱস্থা উন্নীতকৰণৰ পদক্ষেপ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ

হাজো-শুৱালকুছিত পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন

অসম ভূমি সেৱা, হাজো ঃ হাজো-শুৱালকুছি সমষ্টিৰ যাতায়াত ব্যৱস্থাৰ উন্নয়ন ত্বৰান্বিত কৰিবলৈ যোৱা দেওবাৰে ৩০ নং হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে এক মাংগলিক কাৰ্যসূচীৰ মাজত অঞ্চলটোৰ এটি গুৰুত্বপূৰ্ণ পথৰ উন্নীতকৰণ কামৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনিৰ ২০২৫-২৬ বৰ্ষৰ অধীনত 'ভেলামাৰী বঙালটোলা (টোক্ৰাদিয়া মাজৰচুপাৰ পৰা ভেলামাৰীলৈ) পথটি'ৰ পকীকৰণ আৰু

উন্নীতকৰণৰ কাম আৰম্ভ কৰা হয়। এই পথছোৱা দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত থকাৰ বাবে টোক্ৰাদিয়া মাজৰচুপা আৰু ভেলামাৰী অঞ্চলৰ স্থানীয় ৰাইজে যাতায়াতৰ ক্ষেত্ৰত চৰম অসুবিধাৰ সন্মুখীন হৈ আহিছিল। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু জৰুৰীকালীন চিকিৎসাৰ ক্ষেত্ৰত স্থানীয় লোকে জীয়াতু ভুগিবলগীয়া হৈছিল। এই আধাৰশিলা স্থাপনৰ জৰিয়তে অঞ্চলটোৰ ৰাইজৰ এটা দীৰ্ঘদিনীয়া সপোনে বাস্তৱ ৰূপ পাবলৈ আগবাঢ়িছে। আধাৰশিলা স্থাপন কৰি বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় 'সমষ্টিটোৰ চুকে-কোণে থকা প্ৰতিটো পথৰ সৰ্বাংগীণ উন্নয়ন কৰাটো আমাৰ চৰকাৰৰ অন্যতম প্ৰধান লক্ষ্য। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত ৰাজ্যজুৰি চলি থকা বিকাশৰ ধাৰাটো আমি হাজো-শুৱালকুছিতো অব্যাহত ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই পথছোৱাৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লে স্থানীয় ব্যৱসায়-বাণিজ্য আৰু যাতায়াত ব্যৱস্থাৰ অভূতপূৰ্ব উন্নতি হ'ব।' এই আধাৰশিলা স্থাপন অনুষ্ঠানত বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ লগতে অঞ্চলটোৰ শতাধিক বিশিষ্ট ব্যক্তি আৰু অগণন স্থানীয় ৰাইজ উপস্থিত থাকে। পথটোৰ কাম আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত স্থানীয় ৰাইজে অসম চৰকাৰ তথা বিধায়ক প্ৰকাশ চন্দ্ৰ দাসক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আনহাতে, আধাৰশিলা স্থাপন কৰাৰ পিছতে টোক্ৰাদিয়া শ্ৰীশ্ৰীশ্যামৰায় মন্দিৰত অনুষ্ঠিত হয় এক সম্বৰ্ধনা অনুষ্ঠান। এই অনুষ্ঠানত শতাধিক স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে মানপত্ৰ-গামোচা শৰাইৰে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে।

ঢেকীয়াজুলিৰ আকাংক্ষা বসুমতাৰীৰ সাফল্য

নালন্দা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত স্বৰ্ণপদক লাভ

অসম ভূমি সেৱা, ঢেকীয়াজুলি ঃ কঠোৰ পৰিশ্ৰম তথা নিয়মানুবৰ্তিতাৰ মাজেৰে অধ্যয়ন কৰিলে অৱশেষত সফলতা পোৱা যায়। সেই কথাকে পুনৰবাৰ প্ৰতিফলিত হৈছে। ঢেকীয়াজুলিৰ আকাংক্ষা বসুমতাৰীয়ে দেশৰ বিখ্যাত শিক্ষানুষ্ঠান নালন্দা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমত বিশেষ কৃতিত্ব অৰ্জন কৰিছে। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি নগৰৰ ৫ নং ৱাৰ্ডৰ বাসিন্দা সুশীল বসুমতাৰী আৰু মণিকা বসুমতাৰীৰ কন্যা আকাংশা বসুমতাৰীয়ে নালন্দা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি ইতিহাস বিষয়ত স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত স্বৰ্ণপদক লাভ কৰিছে। মেধাৰী ছাত্ৰী আকাংশাৰ এই সাফল্যত অঞ্চলটোৰ শিক্ষা সচেতন ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ছাত্ৰীগৰাকীক অভিনন্দন জনাইছে। যোৱা ১৯ মে'ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগে লগে আকাংশা বসুমতাৰীৰ সফলতা আৰু স্বৰ্ণপদক লাভ কৰা বিষয়েটো পোহৰলৈ আহে। সৰুৰে পৰা নিয়মানুবৰ্তিতাৰে পঢ়া-শুনা কৰা আকাংশা বসুমতাৰীয়ে তেজপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সু-খ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত দিল্লী বিশ্ববিদ্যালয়ৰ অধীনত ৰামলাল আনন্দ কলেজত স্নাতক পাঠ্যক্ৰমত অধ্যয়ন কৰি সু-খ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰ পিছত আকাংক্ষা বসুমতাৰীয়ে ৰাজগিৰ অৱস্থিত নালন্দা বিশ্ববিদ্যালয়ত ইতিহাস বিভাগত নামভৰ্তি কৰে। শেহতীয়াকৈ অনুষ্ঠিত স্নাতকোত্তৰ পৰীক্ষাত আকাংক্ষাই ৮.৬৭ চিজিপিএ গ্ৰেড লাভ কৰি স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছে। দুদিন পূৰ্বে ছাত্ৰগৰাকী ঢেকীয়াজুলিৰ বাসগৃহত উপস্থিত হোৱা ছাত্ৰীগৰাকীক এই সাফল্যৰ বাবে নিখিল বড়ো ছাত্ৰ সন্থাৰ ঢেকীয়াজুলি আঞ্চলিক সমিতি, ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, অসম বাৰ্তাজীৱী সংঘৰ শোণিতপুৰ জিলা সমিতিয়ে আকাংক্ষাক অভিনন্দন জনাইছে। যোৱা সোমবাৰে বিয়লি ৩ বজাত অসম বাৰ্তাজীৱী সংঘৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি নাৰায়ণ ফয়েল আৰু সাংগঠনিক সম্পাদক হৰেণ ভূমিজ ছাত্ৰীগৰাকীৰ বাসগৃহত উপস্থিত হৈ অভিনন্দন জনায়।

আনন্দৰাম বৰুৱাৰ জয়ন্তীত কুইজ-চিত্ৰাংকন প্ৰতিযোগিতা

উত্তৰ গুৱাহাটী ঃ নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামৰ উদ্যোগত আৰু সাপ্তাহিক গনণমাৰ্গৰ সহযোগত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত যোৱা দেওবাৰে পণ্ডিত প্ৰবৰ আনন্দৰাম বৰুৱাৰ ১৭৬ সংখ্যক জন্মজয়ন্তী উপলক্ষে এখন কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সপ্তম শ্ৰেণীলৈ অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ মাজত দুটা শাখাত অনুষ্ঠিত হোৱা চিত্ৰাংকণ প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথমস্থান লাভ কৰে জিয়া বৰাই। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ধ্যান ভৰদ্বাজ আৰু মায়াংক শৰ্মাই। দ্বীপজ্যোতি ভৰদ্বাজ আৰু জিতু শেখৰ বৰুৱাই পৰিচালনা কৰা প্ৰতিযোগিতাৰ 'খ' শাখাত তানিষ্কা হাজৰিকাই প্ৰথমস্থান অধিকাৰ কৰে। দ্বিতীয় আৰু তৃতীয়স্থান লাভ কৰে ক্ৰমে কৰবী বৈশ্য আৰু দেবাংশী ভৰদ্বাজে। চিত্ৰাংকণ প্ৰতিযোগিতাৰ পিছতে অনুষ্ঠিত হয় প্ৰয়াত বিশিষ্ট সমাজকৰ্মী ৰুক্মিণী বৰুৱা আৰু মিনতি বৰুৱা সোঁৱৰণি কুইজ প্ৰতিযোগিতা। দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত শিক্ষাৰ্থীৰ মাজত সীমাবদ্ধ প্ৰতিযোগিতাখন পৰিচালনা কৰে আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়ৰ সহকাৰী শিক্ষক চৈয়দ আব্দুৰ ৰহিদ চৌধুৰী আৰু অসম সচিবালয়ৰ শাখা বিষয়া যাদৱ দাসে। প্ৰতিযোগিতাত মুঠ ১৪ টা দলে অংশগ্ৰহণ কৰে। এককভাৱে অংশগ্ৰহণ কৰি পাঠশলাৰ আনন্দৰাম বৰুৱা একাডেমীৰ কৃতাৰ্থ কাকতিয়ে প্ৰথমস্থান অধিকাৰ কৰে। অসম জাতীয় বিদ্যালয়ৰ তন্ময়ৰাজ চৌধুৰী আৰু দ্বীজৰাজ ঠাকুৰীয়াৰ দলে লাভ কৰে দ্বিতীয় পুৰস্কাৰ। তৃতীয়স্থান পায় অসম জাতীয় বিদ্যালয়ৰ প্ৰাযুক্ত সাই পৰাশৰ আৰু ধ্যান ভৰদ্বাজৰ দলে। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত উপস্থিত থাকে উত্তৰ গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী পাৰ্থপ্ৰতিম বৰকাকতি, উত্তৰ গুৱাহাটী সাহিত্য সভাৰ সম্পাদক কমল বৰা, নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামৰ সম্পাদক কৌশিক দাসে আঁতধৰা অনুষ্ঠানটো পৰিচালনা কৰে ফ'ৰামৰ সভাপতি ৰঞ্জন দত্তই।

পাঠশালাত নাথ যোগী উন্নয়ন পৰিষদৰ চিলাই মেচিন বিতৰণ

অসম ভূমি সেৱা, পাঠশালা ঃ নাথ যোগী উন্নয়ন পৰিষদৰ অৰ্থ সাহায্যত যোৱা দেওবাৰে পাঠশালাত বজালী, বৰপেটা আৰু বাক্সা জিলাৰ অন্তৰ্গত মুঠ ২৩ গৰাকী নিৰ্বাচিত দুখীয়া মহিলা হিতাধিকাৰীৰ মাজত চিলাই মেচিন বিতৰণ কৰা হয়। নাথ যোগী উন্নয়ন পৰিষদৰ অধ্যক্ষ বেণুধৰ নাথৰ বদান্যতাত আৰু অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সাধাৰণ সম্পাদক গুণজিৎ কুমাৰ নাথৰ সহযোগত পাঠশালাৰ শান্তিপুৰস্থিত 'শ্ৰদ্ধাৰ মা-দেউতা সেৱাশ্ৰম'ত অনুষ্ঠিত সভাৰ সভাপতিত্ব কৰে বজালী জিলা যোগী সন্মিলনীৰ সভাপতি ভুবন চন্দ্ৰ নাথে। গুণজিৎ কুমাৰ নাথে আঁতধৰা চিলাই মেচিন বিতৰণ কাৰ্যসূচীত উপস্থিত থাকি নাথ যোগী জনগোষ্ঠীৰ ইতিহাস, আধ্যাত্মিক, সামাজিক পৰম্পৰা, সামগ্ৰিক উন্নয়ন আদিৰ ওপৰত ভাষণ প্ৰদান কৰে ক্ৰমে বৰপেটা জিলা যোগী সন্মিলনীৰ সভাপতি

তথা কৃতী শিক্ষক টংকেশ্বৰ নাথ, সম্পাদক অমৃত নাথ, বাক্সা জিলা যোগী সন্মিলনীৰ সম্পাদক ভূমিধৰ নাথ, বজালী জিলা যোগী সন্মিলনীৰ কাৰ্যকৰী সভাপতি নৃপেন নাথ, অসম প্ৰাদেশিক যোগী সন্মিলনীৰ অন্যতম সম্পাদক কুলেন কুমাৰ নাথ আদিয়ে।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah